# অভিযাত্ৰা

## নৰেন্দ্ৰ মোদীৰ কবিতা

অনুবাদ- গীতুমণি তালুকদাৰ



# অভিযাত্ৰা

## নৰেন্দ্ৰ মোদীৰ কবিতা

# অভিযাত্ৰা

## নৰেন্দ্ৰ মোদীৰ কবিতা

অনুবাদ

**গীতুমণি তালুকদাৰ**

ৰণাংগন প্ৰকাশন
নগাঁও ঃ অসম

# A Journey

A collection of poems written by Narendra Modi and translated by Gitumani Talukdar in Assamese Printed & published by Sanjib Bora on behalf of Ranangan Publication, M. D. Road, North Haibargaon, Nagaon-2. (Assam)

First Edition: December, 2022 Price: 200 only

ISBN No : 978-93-93505-66-8

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০২২

প্ৰকাশক ঃ সঞ্জীৱ বৰা

সামগ্ৰিক পৰিকল্পনা ঃ মিণ্টু দাস

মূল্য ঃ দুশ টকা মাত্ৰ

মুদ্ৰক ঃ অজন্তা প্ৰেছ, হয়বৰগাঁও, নগাঁও-২



# আপুনি দেখা ছবিখন ময়েই, তথাপি নহয়

এই কবিতাখিনিৰ মূল গুজৰাটী ভাষা, ৰচয়িতা অইন কোনো নহয়, ভাৰতবৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী। কবিতাখিনি ইংৰাজীৰ পৰা অসমীয়ালৈ ভাঙি উলিয়াইছে গীতুমণি তালুকদাৰে। ইয়াত ৬৭ টা কবিতা সন্নিৱিষ্ট হৈছে। ইংৰাজী শীৰ্ষক 'a Journey' অনুবাদক ৰৱি মাল্থা।

প্ৰকৃতিৰ বিভিন্ন উপাদান নৰেন্দ্ৰ মোদীৰ কবিতালৈ বিভিন্ন ধৰণেৰে আহিছে— কেতিয়াবা গঢ় দিছে তেওঁৰ ব্যক্তিত্ব, কেতিয়াবা আকৌ তেওঁৰ ব্যক্তিত্বকে গভীৰতা প্ৰদান কৰিছে। জোন, বেলি, নদী, পৰ্বত তেওঁৰ কবিতালৈ আহিছে, আহিছে লীৰিকৰ উচ্ছলতাৰে। তাৰ সাৱলীলতা অনুবাদিকা গীতুমণি তালুকদাৰে অনুবাদত সঞ্চাৰিত কৰিব পাৰিছে ঃ

জোনটোক মই ৰূপান্তৰিত কৰোঁ ব'হাগৰ এক খঙাল বেলি লৈ
যাতে গ্ৰীষ্মৰ সেই ভয়ংকৰ মাহত কেনভাচখন জ্বলি, পৰিণত হয় ছাইত।

প্ৰেমৰ গভীৰতা মূৰ্ত কৰাৰ বাবে পৰিচিত শব্দবোৰত নতুন অৰ্থৰ বোধ আনিছে কবিয়ে, য'ত ইন্দ্ৰিয়-অতীন্দ্ৰিয়ৰ সীমাৰেখাডাল মচ খাই যায় আৰু আনুভূতিক তীব্ৰতাই পঢ়ুৱৈক ৰসাপ্লুত কৰে ঃ

আমাৰ পৰস্পৰ এৰাএৰিয়ে গলাই পেলাইছে মোৰ আনন্দৰ শিখৰ।
তীব্ৰ তাপলৈ পৰিৱৰ্তিত হ'ল সুবাস
যিবোৰে শৰীৰ জ্বলাই, সপোন কৰি দিয়ে ছাই।

(প্ৰেমৰ গীত)

মূলৰ সৌন্দৰ্য আৰু যাথাৰ্থ অনুধাৱন কৰিলেই অনুবাদিকাৰ সাফল্য অনুভূত হয় ঃ

Our separation has melted the peaks of my joy
The fragrance turned into soaring heat
That turns my body, reduces my dreams to ashes.

(Ode of Love)

ভাৰতীয় স্বদেশ প্ৰেমমূলক কবিতাৰ এটি বৈশিষ্ট্য হ'ল ভাৰতীয়ত্বৰ সন্ধান। মোদীৰ কবিতাত অন্বেষণ চলিছে গুজৰাটীয়ত্বৰ, ভাৰতীয়ত্বৰ। নৃত্য আৰু নদীৰ জৰিয়তে ইয়াৰ অনুসন্ধান চলিছে। কবিৰ মাতৃভূমি গুজৰাটৰ সংস্কৃতি তেওঁৰ কবিসত্তাত

সমাৰোপিত হৈছে। গুজৰাটৰ এটি বিশেষ নৃত্যৰ ছন্দ যেন গঁথা আছে আত্মাৰ লগত। কবিৰ দেশৰ প্ৰতি আকুলতাৰ বাবেই এনেবোৰ উপাদানে ধৰি ৰাখিছে শক্তি আৰু ক্ষমতা ঃ

শৰীৰ হৈছে গৰ্বা আৰু আত্মা হৈছে গৰ্বা, ইয়েই জীৱনৰ জিৰণিৰ জুৰ।
গৰ্বাই আত্মত্যাগ, ইয়েই কৰ্মোদ্যম,
গৰ্বাই সত্য, ইয়েই সৰ্বস্ব
দেৱী মাতৃৰ কপালত সেন্দূৰ ফোঁট হ'ল গৰ্বা।

(গৰ্বা নৃত্য)

নৰেন্দ্ৰ মোদীৰ অধিকাংশ কবিতাৰ মাজেদি বিৰিঙি উঠিছে দেশৰ প্ৰতি তেওঁৰ ভালপোৱা, ই নিজৰাৰ দৰে স্নিগ্ধতাৰে নহয়, বৰঞ্চ বৈ আহিছে জলপ্ৰপাতৰ পানীৰ ধাৰেৰে। শয়নে-সপোনে দেশৰ প্ৰতি কৰ্তব্যপৰায়ণ; তৎপৰতাৰে তেওঁৰ দিন অতিবাহিত হৈছে বিভিন্ন কৰ্মৰ ৰূপায়ণত। এক গভীৰ আশাবাদেৰে দীপ্ত কবিৰ কণ্ঠস্বৰ ঃ

অন্ধকাৰ খানি বাহিৰ উলিয়াবলৈ, এটা সময়ত
আশাৰ প্ৰতিটো ৰশ্মিয়ে হয় একোখন লাহনী,
একোখন কোদালৰ দৰে।

(আশা)

ইংৰাজী অনুবাদত আছে ঃ
Every ray of hope is like a solitary spade
Digging at darkness, one scoop at a time.

(Hope)

আগকথাত শ্ৰীনৰেন্দ্ৰ মোদীয়ে কৈছে যে তেওঁৰ কবিতাবোৰ চিন্তাৰ কেতবোৰ স্ৰোতৰ দৰে যেন সতেজ পানীৰ নিজৰা। ৰাজ্য পাছলৈ দেশ পৰিচালনা কৰাত যিবোৰ কথা বা ঘটনা প্ৰত্যক্ষ কৰিছে, যিবোৰ অভিজ্ঞতা তেওঁ সঞ্চয় কৰিছে সেইবোৰ কবিতালৈ ৰূপান্তৰিত হৈছে। কেতিয়াবা আকৌ কল্পনাইও বাট উলিয়াই লৈছে। ৰবি মান্থাই ভূমিকাত কৈছে যে কবিতাখিনি ৰূপকধৰ্মী— মোদীৰ বিনম্ৰ আৰম্ভণি আৰু এতিয়াৰ তেওঁৰ স্থিতিলৈ এটি যাত্ৰা। মান্থাই সঠিকভাৱেই দেখুৱাইছে কবিতালানিত প্ৰকাশ পাইছে প্ৰকৃতি সম্পৰ্কে কবিৰ অনুভূতি, হিন্দু ধৰ্মৰ প্ৰতি পৰাকাষ্ঠা, দেশপ্ৰেম আৰু সতীৰ্থৰ প্ৰতি ভালপোৱা। কেতবোৰত উদ্ভাসিত হৈছে তেওঁৰ আধ্যাত্মিক অন্বেষণ।

**এম. কামালুদ্দিন আহমেদ**

# অনুবাদকৰ দুকথা

আমেৰিকান কবি লুইচ গ্লিকে বিশ্বৰ সন্মানীয় ন'বেল বঁটা লাভ কৰাৰ পিছৰ বছৰৰ কথা। সেই সময়ত লুইচ গ্লিকৰ কেইটামান কবিতা পঢ়াৰ সৌভাগ্য মোৰ হৈছিল। তাৰ আগতে ৰবাৰ্ট ব্লাই, চিয়'কিটাহাৰা, ছাৰা টীজডে'ল, মিৰ'শ্লেভ হ'ল'ব, অক্টাভিঅ' পাজ আদি বিশিষ্ট কবিসকলৰ কবিতা অসমীয়ালৈ অনুবাদ কৰাৰ চেষ্টা কৰিছিলোঁ যদিও লুইচ গ্লিকৰ কবিতা পঢ়ি বাৰুকৈয়ে আকৰ্ষিত হ'লোঁ। তেখেতৰ কবিতাসমূহ এটি-দুটিকৈ অনুবাদ কৰাৰ চেষ্টা কৰি গ'লোঁ প্ৰকাশো পালে দুই-এখন কাকত-আলোচনীৰ পাতত। পঢ়ুৱৈসকলেও অনুবাদ কবিতাবোৰ পঢ়ি ভাল পোৱা বুলি কৈ মোক উৎসাহিত কৰিলে। লুইচ গ্লিকৰ কবিতাসমূহ অনুবাদ কৰি থকাৰ সময়তে এদিন উৰিষ্যাৰ বিশিষ্ট কবি প্ৰফেচৰ সুভাষ নায়ক ডাঙৰীয়াই কাব্যগ্ৰন্থ এখনৰ পি ডি এফ এটা মোৰ হ্বাটছআপ নম্বৰত পঠিয়াই দিলে। আৰু তাত থকা কবিতাকেইটা পঢ়ি হোৱাৰ পিছত কেনেকুৱা পালোঁ জনাবলৈ অনুৰোধ কৰিলে। ময়ো বৰ উৎসাহেৰে কবিতা কেইটা পঢ়োঁ বুলি পি ডি এফটো খুলি ল'লোঁ। আৰু মোৰ চকু থৰ হৈ ৰ'ল। আৰে, এয়াচোন আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ কবিতা (মোদী ডাঙৰীয়া এগৰাকী কবি বুলি আগেয়ে মই জনা নাছিলোঁ) যিবোৰ কবিতা মূল গুজৰাটীৰপৰা ইংৰাজীলৈ ভাঙনি কৰিছে ৰবি মান্থাই। কবিতাখিনি এটি-দুটিকৈ এফালৰপৰা বৰ মনোযোগেৰে পঢ়ি গৈ থাকিলোঁ। পঢ়ি গৈ থাকোঁতে ইমানেই মুগ্ধ হ'লোঁ যে অসমীয়ালৈ ভাঙনি কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। এটি-দুটিকৈ অনুবাদ কৰি গৈ থাকোঁতে কেতিয়ানো মুঠ ৬৭টা কবিতাৰ “A Journey” শীৰ্ষক কিতাপখনকেই অনুবাদ কৰি পেলালোঁ গমকেই নাপালোঁ!

কবিতাকেইটা প্ৰথম অনুবাদ কৰিবলৈ লওঁতেই মই মাক (বৰ্তমান প্ৰয়াত) জনাইছিলোঁ। মায়ে আনন্দিত হৈছিল আৰু অনুবাদ কৰিবলৈ মোক উৎসাহিত কৰিছিল। মা'ৰ তাগিদাতে আধাখিনি কবিতা মই কমদিনৰ ভিতৰতে অনুবাদ কৰিবলৈ সক্ষম হৈছিলোঁ। মা'ৰ ওচৰত মই চিৰঋণী আৰু চিৰকৃতজ্ঞ। স্বৰ্গগত মা-দেউতাৰ আশীৰ্বাদেই মোৰ সাহস আৰু প্ৰেৰণা। তেওঁলোকলৈ মই শতকোটিবাৰ প্ৰণাম জনাইছোঁ।

কবিতাকেইটা ভাঙনি কৰাৰ পিছত কিতাপ আকাৰে প্ৰকাশ কৰাৰ কথা মনলৈ অহাত অনুবাদ কবিতাকেইটা বিশিষ্ট কবি অনুভৱ তুলসীক দেখুৱাও। তেখেতে কবিতাকেইটা ভাল পোৱা বুলি জনালে। তাৰপিছতে "অভিযাত্ৰা" শীৰ্ষক কিতাপখন প্ৰকাশৰ দিহা কৰোঁ। "a Journey" শীৰ্ষক কিতাপখন অসমীয়ালৈ ভাঙনি কৰিবলৈ অনুমতি প্ৰদান কৰি সহযোগিতা আগবঢ়ায় বিশিষ্ট অনুবাদক ৰবি মান্থা ডাঙৰীয়াই, কিতাপখনৰ পি ডি এফ দিয়াৰপৰা আটাইকেইটা কবিতা ভাঙনি কৰালৈকে প্ৰেৰণা দি থাকে উৰিয়া কবি সুভাষ নায়ক ডাঙৰীয়া, বিশিষ্ট কবি-সমালোচক এম কামালউদ্দিন ডাঙৰীয়াই পাতনি লিখি মোক কৃতাৰ্থ কৰিছে। কিতাপখনৰ প্ৰচ্ছদ অংকন কৰে বিশিষ্ট চিত্ৰশিল্পী বিষ্ণু তামূলী ডাঙৰীয়াই। কিতাপখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহযোগিতা আগবঢ়াই মোক উৎসাহিত কৰে বিশিষ্ট কবি সিদ্ধাৰ্থ শংকৰ কলিতাই। শ্ৰদ্ধাৰ এই লোকসকলৰ ওচৰত মই বিশেষভাৱে কৃতজ্ঞ আৰু চিৰঋণী হৈ ৰ'লোঁ।

"অভিযাত্ৰা" শীৰ্ষক নামকৰণেৰে কিতাপখন প্ৰকাশ কৰি উলিওৱাৰ সম্পূৰ্ণ দায়িত্ব লয় ৰণাংগন প্ৰকাশনে। এইটো মোৰ বাবে সৌভাগ্যৰ কথা। ৰণাংগন প্ৰকাশনৰ সঞ্চালক সঞ্জীৱ বৰা আৰু সম্পাদক মিণ্টু দাস তথা ছপাশালৰ কৰ্মীবৃন্দৰ ওচৰতো মই চিৰকৃতজ্ঞ।

অনুবাদ কবিতাসমূহ প্ৰকাশ কৰি যিকেইখন কাকত-আলোচনীয়ে মোক উৎসাহিত কৰিলে, তাৰ সম্পাদনা কক্ষলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ দাদা-বাইদেউ, অগ্ৰজ-অনুজ শুভাকাংক্ষীসকল, বন্ধু-বান্ধৱী, শ্ৰদ্ধাৰ পঢুৱৈ সমাজ- এই সকলো লোকৰ ওচৰতে মই চিৰঋণী আৰু চিৰকৃতজ্ঞ।

কবিতাসমূহ কাকত-আলোচনীত প্ৰকাশ হৈ থাকোঁতে পাঠক সমাজে যিদৰে আঁকোৱালি লৈছিল, একেদৰে এতিয়াও কিতাপ আকাৰে প্ৰকাশ পোৱাৰ পিছতো "অভিযাত্ৰা"খন শ্ৰদ্ধাৰ পাঠকসমাজে আঁকোৱালি ল'লে অনুবাদকৰ লগতে প্ৰকাশকৰো শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

**গীতুমণি তালুকদাৰ**
পাঠশালা, বজালী

# সূচীপত্ৰ


১) যাত্ৰা ১৩
২) ধন্য এই চকুবোৰ ১৪
৩) ক্ষণস্থায়ী ১৫
৪) পৰম সুখী ১৬
৫) প্ৰেমৰ গীত ১৭
৬) জাগৰণ ১৮
৭) আজি ১৯
৮) আমি, একেলগে ২০
৯) আশা ২১
১০) নিৰাবেগ ২৩
১১) দুৰৱস্থা ২৪
১২) জাগ্ৰত হোৱা, হে' বীৰ ২৫
১৩) জাগা, নিজৰ ললাট নিজে গঢ়া ২৬
১৪) এটি-দুটি অশ্ৰুকণা ২৮
১৫) এনে লোক ২৯
১৬) উদ্‌যাপন ৩০
১৭) কাৰ্গিল ৩২
১৮) ক্ৰিয়া ৩৪
১৯) গৌৰৱেৰে কৰি থাকোঁ সত্যৰ সন্ধান ৩৫
২০) এটা নতুন দিশৰ গান ৩৬
২১) গৰ্বা নৃত্য ৩৯
২২) গানত ৪০
২৩) ফুল চাকি গোলাপৰ ৪১
২৪) গৌৰৱান্বিত, এজন হিন্দু হিচাপে ৪২
২৫) পৰিহাৰ ৪৩
২৬) ল'কষ্টেপত ৪৪
২৭) ভগৱানৰ ছত্ৰছায়াত ৪৫
২৮) বসন্তৰ আগমন ৪৬
২৯) মিছ্‌লীয়াৰ প্ৰশংসা ৪৭
৩০) ছবিৰ বাহিৰত ৪৮
৩১) দৰ্শন ৫০
৩২) ভক্তি ৫১
৩৩) নদী নৰ্মদা ৫২

৩৪) শক্তি ▸ ৫৩
৩৫) কাইলৈৰ প্ৰত্যাহ্বান ▸ ৫৪
৩৬) পখিলা ▸ ৫৬
৩৭) মৌমাখিৰ সৈতে পৰিচয় ▸ ৫৭
৩৮) স্বচ্ছতা বিষয়ক ▸ ৫৯
৩৯) এটা নতুন দিনৰ অপেক্ষা ▸ ৬০
৪০) ভগৱানৰ কৃপা ▸ ৬১
৪১) প্ৰচেষ্টা ▸ ৬২
৪২) প্ৰাৰ্থনা ▸ ৬৩
৪৩) প্ৰেম ▸ ৬৫
৪৪) নিষ্ফল প্ৰচেষ্টা ▸ ৬৫
৪৫) মাজনিশা ▸ ৬৭
৪৬) মন চক্ষু-তৃতীয় নয়ন ▸ ৬৮
৪৭) একত্ৰিত হওঁ আমি এক হিচাপে ▸ ৬৯
৪৮) মন্ত্ৰ ▸ ৭১
৪৯) মা, মোক সাহস দিয়া ▸ ৭৩
৫০) সংযোগ ▸ ৭৫
৫১) মিলিত হ'ব দিয়ক তেওঁলোকক মেলাত ▸ ৭৬
৫২) ৰহস্য ▸ ৭৭
৫৩) ৰমেশ পাৰেখ ▸ ৭৮
৫৪) লক্ষ্যৰ ফালে ▸ ৭৯
৫৫) বন্দে মাতৰম ▸ ৮০
৫৬) প্ৰেম বৰ আচৰিত ▸ ৮১
৫৭) আশ্চৰ্যৰ দোকমোকালি ▸ ৮২
৫৮) বৈ যাবলৈ দিয়া যাতনা ▸ ৮৪
৫৯) কথা ▸ ৮৫
৬০) কালজয়ী, বতৰ ▸ ৮৬
৬১) সপোনৰ বীজ ▸ ৮৭
৬২) ধ্যানমগ্ন হোৱা একেলগে ▸ ৮৯
৬৩) সাগৰৰ নাৱিক ▸ ৯০
৬৪) সমাধান ▸ ৯১
৬৫) স্মৰণ ▸ ৯২
৬৬) হিন্দুৰ গীত ▸ ৯৪
৬৭) একাদশ দিশ ▸ ৯৬

# যাত্ৰা

মোৰ মনৰ নিভৃত সংগোপনেদি,
মই কৰোঁ অতীতলৈ ভ্ৰমণ
আৰু মই দেখা প্ৰতিখন মুখেই ভাঙে
একো একোটি জাপ।

স্মৃতি মোৰ আহে অনায়াস
প্ৰতিখন মুখ জল্‌জল্ পট্‌পট্
গোপন হৈ নৰয় একো

সহজভাৱে চাবলৈ হ'লে,  এইটোৱে সত্য,
আমাৰ সেই লগৰীয়াবোৰ, যাৰ সৈতে ভুগিছিলোঁ
কেতিয়াও পাহৰিব নোৱৰা
একেলগে সহা
সেই যন্ত্ৰণাবোৰ

শেষপৰ্যন্ত সেইবিলাকেই হৈ উঠে যাত্ৰা।

# ধন্য এই চকুবোৰ

এই সোণোৱালী পৃথিৱীখনক হেঁপাহ পলুৱাই চাবলৈ,
চকুবোৰক আশীৰ্বাদ দিয়া হৈছে নেকিহ্লু
সূৰ্যৰ পোহৰখিনি বাগৰি যায় ঘাঁহনিৰ ওপৰেৰে।
সেউজীয়া ৰশ্মিবোৰৰ পৰশ মোৰ দুচকুত, এখন্তেকৰ।

সোণোৱালী ধৰালৈ যেতিয়া চকু যায়
আকাশৰ দীপ্ত মুখনিত ফুটে আশিস-দ্যুতি
আকাশৰ উচ্চতাত মই দেখা ৰামধেনুখন,
ফুলাম এটি চাকি, ৰঙৰ এক জীৱন্ত আঙঠি।

জন্মৰ পূৰ্বৰে পৰা কৰি অহা পুণ্যৰ ফলবোৰে,
মোৰ ইন্দ্ৰিয়বোৰক অভিভূত কৰে,
যেতিয়া মই ওপৰলৈ তধা লাগি চাই থাকোঁ।
সাগৰখনো লাহে লাহে উঠি আহে আকাশলৈ।
ডাৱৰবোৰে কি কাহিনী লুকুৱাই ৰাখে?

মোৰ হৃদয়ৰ শূন্যতা ওফন্দি উঠিছে আনন্দেৰে,
সোণালী পৃথিৱীখনলৈ চাই চাই।
সহকৰ্মীসকলৰ প্ৰতি মোৰ প্ৰেম সীমাহীন আৰু স্বচ্ছ
তথাপি,
মই নিজকে বিচাৰি পাওঁ আনৰ চকুৰ ভিতৰ ফালেহে।

আচলতে সেই অস্তিত্ব, ৰহস্যৰ ভেদ ভাঙিব
নোৱাৰে কোনো চকুৱে।
তথাপি,
মই এই সোণোৱালী পৃথিৱীখনলৈ চাই
ধন্য হৈছোঁ সঁচাকৈয়ে।

# ক্ষণস্থায়ী

অন্ধকাৰৰ কলীয়া কেনভাচ এখনৰ ওপৰত
মোৰ ব্ৰাছষ্ট্ৰোকৰ তলত সৃষ্টি হয় এটা হ্ৰদ
পানীৰ ওপৰেৰে এটা বৰমৌ ওলোৱাত
মৌমাখিৰ গুণগুণনিৰ ওপৰত গছৰ ডালে আকৃতি লয়।

সম্পূৰ্ণ আকাশখনতে মই আঁকো জোনৰ এখন ছবি।
শেঁতা পোহৰেৰে কেনভাচখন উঠে জিলিকি।

আকাশখন আলোকিত হয় নীলা ৰঙেৰে
সুথিল হয় পানীখিনি জোনৰ পোহৰেৰে।

জোনটোক মই ৰূপান্তৰিত কৰোঁ ব'হাগৰ এক খণ্ডাল বেলিলৈ,
যাতে গ্ৰীষ্মৰ সেই ভয়ংকৰ মাহত কেনভাচখন জ্বলি, পৰিণত হয় ছাইত।

মোৰ ঠেৰেঙা লগা হাতত শুকাই যায় ব্ৰাছ।

ভয়াতুৰ মাতেৰে চিতা এখনৰ ওপৰত চিৎকাৰ কৰে ভেকুলী এটাই।

ঋতুৰ সপোন ম্লান পৰি যোৱাৰ দৰে,
মোৰ ঋতুৰ সপোনো বাষ্পীভূত হয়, কুঁৱলীলৈ..

# পৰম সুখী

ৰাজ-সমাৰোহৰ এই অময়া সুখত,
মোৰ জীৱনৰ আটাইতকৈ প্ৰিয় সংগী, ডুবি আছে প্ৰেমত।

কোনেও আমাক পৃথক কৰিব, অথবা
এই ৰাজকীয় প্ৰবাসত এক গোট হৈ ব্যাঘাত জন্মাব নোৱাৰে।

আমি উৰি যাওঁ বহুদূৰলৈ, যেতিয়া আমি তুষ্ট হওঁ
কিম্বা সাগৰৰ শীতল গভীৰতা অন্বেষণ কৰোঁ।

আমি হৈ পৰোঁ পৰ্বতৰ শিখৰৰ ওপৰেৰে উঠি অহা সূৰ্য,
অথবা তাৰৰ পোহৰত বৃদ্ধি হোৱা মৌনতা।

আনন্দত আমি প্ৰদৰ্শন নকৰোঁ লাজুকতা,
গঠনৰ প্ৰতি নিদিওঁ মন-কাণ।

আমি মৰুৰ এক দলবদ্ধ পথিক,
প্ৰেমৰ এক অন্তহীন প্ৰতিদান।

এই পৃথিৱীৰ জ্ঞানীয়ে আমাক ভাবে পাগল বুলি,
তেওঁলোক মিছা নহয়; আমি সঁচাই পাগল।

আমি হওঁ উদ্দাম উচ্ছল এক মহাসাগৰ,
কিয়নো আমি একান্ত পানীৰ এটা ফুট নহয়।
আকাৰহীন, সীমাহীন উপকূল নাইবা পাৰাপাৰহীন
মাজ-সাগৰৰ পানী হৈ পৰোঁ আমি অসীম।

# প্ৰেমৰ গীত

মই তোমাৰ বিষয়ে অৱগত হোৱা মুহূৰ্তত
মোৰ মনৰ গহীন হিমালয়াৰণ্যত
প্ৰবল ব্যগ্ৰতাৰে আৰম্ভ হৈছিল দাৱাগ্নি।

যেতিয়া মই চকু ৰাখিছিলোঁ তোমাৰ ওপৰত
মোৰ মনৰ চকুত বাঢ়ি আহিছিল এটা পূৰ্ণ জোন
পূৰ্ণ প্ৰস্ফুটিত গছ এজোপাত চন্দনৰ গোন্ধ।

আৰু তাৰপাছত যেতিয়া আমি শেষবাৰ লগ পাইছিলোঁ
মোৰ অস্তিত্বৰ প্ৰতিটো বিন্দু ভৰি পৰিছিল তুলনাবিহীন সুগন্ধিৰে।

আমাৰ পৰস্পৰ এৰাএৰিয়ে গলাই পেলাইছে মোৰ আনন্দৰ শিখৰ।
তীব্ৰ তাপলৈ পৰিবৰ্তিত হ'ল সুবাস
যি মোৰ শৰীৰ জ্বলাই, সপোন কৰি দিয়ে ছাই।

পূৰ্ণিমাৰ জোনটোৱে দূৰৈৰ ঢাপত বহি
নিৰলসভাৱে মোৰ দুৰ্দশাৰ ফালে নীৰৱে চাই আছে ৰ' লাগি।

তোমাৰ আলসুৱা উপস্থিতি অবিহনে
মোৰ জীৱনৰ জাহাজত
না কোনো গুৰিয়াল আছে, না গুৰিব'ঠা।

# জাগৰণ

মোৰ জীৱন-যাত্ৰাৰ পুৰণি পথ টুটি আহিছে ক্ৰমশঃ
মই পথৰ মূৰত এই নৱ প্ৰভাতত দেখিছিলোঁ এডাল গছ।

বতাহৰ ডাল,
পোহৰৰ ফুল
এৰাপৰলীয়া চৰাই-সংগীত
অৱকাশৰ, ত্ৰুটিৰ, অযত্নৰ।

মই সকলো খিৰিকী খুলি দিলোঁ, ভিতৰ আৰু বাহিৰৰ
আগেয়ে কেতিয়াও অস্তিত্বত অৱগাহন ইমান সুন্দৰ নাছিল।

মোৰ তন, মন আৰু অন্তৰ
ভগৱানৰ অনুগ্ৰহতে নিমজ্জিত
আৰু সমস্ত পৃথিৱী
মোৰ আলিংগনত আৱদ্ধ।

# আজি

আছিল, আছে, অতীত, বৰ্তমান
ইয়াত, তাত, এতিয়া, কাইলৈ
এই সকলোবোৰেই শূন্যতা,
ভগ্নাৱশেষৰ মাজত এক ভব্য স্তম্ভহে

আলিবাটত আমি ভ্ৰমো ভ্ৰান্তিত,
আনকি জীৱাত্মাহীন লোকো নহয়, একমাত্ৰ এজনৰ ছাঁ।

আগতে জানিবা
ভূতৰ ছাঁৰ দ্বাৰা চুৰি হয় আত্মা।
আৰু যদিওবা আত্মা অমৰ,
আমাৰ শৰীৰটোৰেও অমৰ হ'ব খোজে।

কালিৰ সংলগ্নবোৰ আৰু আজিৰ বিশ্বাসঘাতকতাবোৰ আঁকোৱালি ধৰি
আমি ব্যাকুল হওঁ কাইলৈ অমৰ হ'বলৈ।
এনেকুৱা জীৱনৰ আছে জানো কিবা অৰ্থ?

# আমি, একেলগে

যেতিয়া ওচৰ চাপি আহে সন্ধিয়াৰ ফুটবলটো,
মই ঘূৰি ফুৰোঁ শান্তভাৱে।
মোৰ সত্তাৰ মাজেৰে স্পন্দিত হয় শক্তিৰ এক অনুভূতি,
টাৰ্নেটাৰ মেলাৰ কিৰীলি।
নাই কোনো বিনিময়, না দিয়া না লোৱা, না মোৰ, না আপোনাৰ।
এই পৃথিৱী আৰু ইয়াৰ উদাৰতা একেলগে আমাৰহু
মই খোজকাঢ়োঁ টনা-আঁজোৰা,
ঠেলা-হেঁচা নোহোৱা পোন আৰু ঠেক পথেৰে,
ভিৰৰ ঠেলা-হেঁচাৰ মাজেৰে নহয়।
এই মুনিচুনি পৰত, মই অকলে ঘূৰি ফুৰোঁ শান্তভাৱে।
আমি বিভাজিত নহওঁ ধৰ্ম বা সম্প্ৰদায়ৰ দ্বাৰা।
আমি সকলো মানুহ
চাকিয়ে হওক বা লণ্ঠনেই হওক তালৈ কেৰেপ নকৰি
আমি দেখোঁ শিখাৰ উজ্জ্বলতা।

এক চক্‌মকীয়া আলোকস্তম্ভক পোহৰাবলৈ দিওঁ আমাৰ আগলৈ যোৱা পথ।

এই মুনিচুনি পৰত, আমি শান্তভাৱে বিচৰণ কৰোঁ একেলগে।

# আশা

অন্ধকাৰ খান্দি বাহিৰ উলিয়াবলৈ, এটা সময়ত
আশাৰ প্ৰতিটো ৰশ্মিয়ে হয় একোখন লাহনী,
একোখন কোদালৰ দৰে।

এই কোদালৰ গুণ থাকে কান্তিত
ৰশ্মি এটাই এসময়ত ইয়াৰ অন্ধকাৰ কৰে নিৰ্বাসিত।

পোহৰে  এবাৰ স্পৰ্শ কৰিলে জীৱনৰ চকা
ই বিয়পি পৰিবলৈ বাকী নাথাকে কোনো সীমা।

বিস্ফোৰিত হৈছে আজি আশাৰ এক শিখা।
অন্ধকাৰ পুৰিবলৈ
প্ৰবালৰ বগা আঙঠিবোৰে,
ইয়াৰ শক্তিৰে সিঁচৰতি কৰে পোহৰ।

উদ্দেশ্য আৰু বুদ্ধিৰ যুটীয়া তীৰ,
এবাৰ নিক্ষেপ কৰিলে
লক্ষ্যভ্ৰষ্ট নহয় অব্যৰ্থ তীৰ।

অটল সংকল্প আৰু নীতিনিষ্ঠ
প্ৰগতি আনোতাৰ যুৰীয়া অস্ত্ৰ।

এই পোহৰৰ দ্বাৰা অলপ অলপকৈ মুকলি হৈছে
আপোনপেটীয়া আৰু চকুচৰহাৰ জাপ খাই থকা মনবোৰ।

প্ৰগতিৰ বাবে যোদ্ধাই প্ৰতিপালন নকৰে কোনো ভাললগা অথবা বেয়ালগা
নাইবা জনসমাগমৰ বাবে নকৰে কোনো প্ৰশংসা

ভগৱান ৰামে নিজৰ হৃদয়খনক ক্ষমাৰে ওপচাই, গুচি যায় ৰাস্তাৰে
আৰু অন্ধকাৰ নাশ কৰে, আশাৰ ৰেঙণি হৈ।

# নিৰাবেগ

আবেগবিহীনতাৰ হৃদয়খন এক বেমাৰৰ বাহিৰে আন একো নহয়।
শ্বাসৰুদ্ধ, জটিল অৱস্থা, এটা আনটোৰ বাবে এক অগভীৰ অভিসম্পাত।

আনকি মৰম অবিহনে গছবোৰ লেৰেলা পৰে আৰু মৰে
আৰু লঠঙা ডালত কুলিজনী নীৰৱ হৈ পৰে।

নভবা-নিচিন্তাকৈ কাম কৰি সিদ্ধি লাভ কৰিব নোৱাৰিলে,
অনুশোচনা আৰু প্ৰতিফলে লৈ আহে
শ্বাসৰুদ্ধ, জটিল অৱস্থা, তৰঙুৱা আবেগবিহীনতা।

প্ৰেমৰ পৰা বঞ্চিত প্ৰতিটো মুহূৰ্তই
অসম্পূৰ্ণতাৰ দ্বাৰা পংগু, বিষাদগ্ৰস্ত,
হতাশাৰ পকোৱা গজালৰ পাক, দুখৰ এটা মুকুতা।

নীৰৱ হাঁহিৰ তীক্ষ্ণ ধাৰেৰে চকুলো কাটি
শ্বাসৰুদ্ধ, জটিল অৱস্থাত
প্ৰেমৰ বাবে হেঁপাইছে আবেগবিহীন মানুহজনে।

# দুৰৱস্থা

নদীখন, সিদিনাৰ যি আছিল ৰূপৱতী,
যৌৱনৰ প্ৰথমটো ঢলত
আজি কুচিমুচি সিংহী

বাঢ়নী পানীত, ৰাগ-খঙৰ বশৱৰ্তী হৈ,
মনৰ ধৈৰ্য হেৰুৱাই,
ক্ৰোধাগ্নিৰ বন্যা হৈ সবকে নিয়ে উটুৱাই।

নৈখন যেতিয়া শান্ত, নম্ৰ জীৱনদায়িনী হয়
তেতিয়া কি তাই দেখা নাপায় নিজৰ বিনাশী শক্তি?

তাইৰ ক্ৰোধী ঢলে উটুৱাই নিয়ে গাঁও-গয়ৰহৰ
ভটিয়নীফালে সমূহ শৰীৰী অস্তিত্ব

আতুৰ কণ্ঠৰ গগনফলা শেষ চিৎকাৰ

প্ৰকৃতিৰ বিনাশী শক্তিৰ সকীয়নি,
তাইক শাসন কৰিব খোজাজনলৈ
সেয়াই হ'ল তাইৰ শেষ কথা।

# জাগ্ৰত হোৱা, হে’ বীৰ

নিদ্ৰাৰ হলৌচোলাটোৱে যেতিয়া দেহ-মন ঢাকি ধৰে
তেতিয়াই সাৰ পায় সাহসীজনে, যেন
সাহসৰ দগ্‌মগীয়া অঙঠাহে।

আকাশত জুই, বৰ্শাকৃতিৰ অগ্নিশিখাৰে পৰিপূৰ্ণ হৈ,
ই আগবাঢ়ে যোদ্ধাৰ ফালে
যি ঢাল হৈ প্ৰতিবিম্বিত কৰে বীৰত্ব

কামনাৰ দেৱীৰ ৰাতি পৰে পৰে কাতৰ মাত
আৰু যিজনে তাইৰ মাত শুনি কাষ চাপি যায়,
তেওঁ ব্যৰ্থ হয় পৰীক্ষাত।

কিন্তু যোদ্ধাজনে তাইৰ আহ্বানতকৈ আগেয়ে উঠে
কিয়নো বীৰ তেৱেঁ হয়, যিয়ে জানে সঠিক সময়

যেতিয়া তুমি ৰুক্মিণীৰ কান্দোনৰ শব্দ শুনা
দ্বাৰকাৰ মান ৰক্ষাৰ্থে খোজকাঢ়ি নহয়, ঢপলিয়াই যাবা,

সময় সদায়ে গতিশীল, খৰতকীয়া
কৃষ্ণৰ হাতৰ চক্ৰই আগবাঢ়ে দ্ৰুতগতিত।

এতিয়া নিতোলতোল নহয় কৃষ্ণৰ বাঁহী
যিহেতু বীৰসকলে যুদ্ধত যোগদান কৰে এই সময়ত
কথাবোৰ সন্তীয়া হয়, শান্তি হৈ পৰে ফটাকানি

অনিষ্ট-পথৰ অপবাদৰ পৰা
মানৱতাৰ কেনভাচখন ৰক্ষা কৰিবলৈ
ইতিমধ্যে যোদ্ধাজন হৈছে অগ্ৰসৰ।

# জাগা, নিজৰ ললাট নিজে গঢ়া

আজিৰ এই সময়বোৰ পৃথিৱী মাতৃৰ বাবে
সকলো দয়া-মায়া লগ লগাই আৰু মিহলি কৰি এক হ'বলৈ প্ৰয়াস কৰা
মহান উৎসৱৰ এক সময়
দিওঁ আহা, আমি সকলোৰে বাবে বিজয়ৰ জয়ধ্বনি

বন্ধুত্বৰ বুজাবুজিৰ সুবাসত অতীতৰ শত্ৰুতাৰ অন্ত পেলাই
আমি এক হৈ একেলগে বাস কৰোঁ
এই সোণোৱালী ৰাতিপুৱা সাৰ পাবলৈ

তিতা-কেহা ভয়ৰ নিঃসংগতাৰ পৰা মুক্তি পাবলৈ
পৃথিৱী মাতৃয়ে এই প্ৰত্যাহ্বান স্বীকাৰ কৰে
পুৰুষে এই অপৰিচিত সংকটক যোগমুদ্ৰাৰ দ্বাৰা
শান্ত মনেৰে সমাধান কৰে।

আজি সমাজৰ চেহেৰা সলনি হৈছে যদিও,
আমি জাপবোৰ গুচাই যেতিয়া দেখিবলৈ পাওঁ
ভিতৰফালে একেই সাৰ ভাগেৰে আমি তৈয়াৰী
তেতিয়া পৃথিৱী মাতৃয়ে নিজৰ সন্তানক লৈ আহে কাষলৈ।

তোমাৰ মাৰ মৰম শিৰোধাৰ্য কৰি
দুলি থকা খাটত এনেয়ে নাথাকিবা বহি
আহা, আমাৰ লগত এই নতুন পথেৰে
সকলো ৰেখাৰ সপোন ইয়াৰ জিলমিলিয়াত বুৰ মাৰে
আৰু মাতৃ পৃথিৱীয়ে ইয়াক পৰিচালনা কৰে, তুমি বঢ়াৰ দৰে

এই পথ ভৰিৰ জঠৰতা আৰু ভয়াতুৰ কলিজাৰ বাবে নহয়
ই সদায়ে হৈ আহিছে তেওঁৰ সাহসী, ভাল পুত্ৰৰ ভূমি

পৃথিৱী জাগ্ৰত হোৱাৰ লগে লগে
বিজয়ৰ গগন ফলা চিঞৰৰ সৈতে,
আমি আহ্বান কৰোঁ টাৰ্নেটোৰৰ ন্যায্য ভূমি।

# এটি দুটি অশ্ৰুকণা

এটি দুটি অশ্ৰুকণাই
গঢ়ি তোলে আত্মীয়তাৰ বান্ধোন,
ভাঙিচিঙি থানবান হৈ
উদাস চকুত এৰি যায় দুই এটোপাল চকুলো

হিমশীতল চকুলো গধুৰ, যেন শিলৰ দ্বাৰা ভাৰাক্ৰান্ত,
এখন চেতাঁৰ চিঙা তাঁৰৰ সৈতে নিঃশব্দে বহি থাকে চুকত।
কোমল জুৰ বতাহ গৰম হৈ জ্বলে আৰু স্থিৰ হয় বায়ু
যিহেতু চকুৰ গোপনত ৰৈ যায় এক-দুই টোপাল চকুলো।

হেঁপাহ কিমান দিনলৈ ভঙা কাঁচৰ টুকুৰাবোৰ সংৰক্ষিত কৰি ৰাখিবলৈ?
তাত না আকাংক্ষা, না শোক, না বিলাপ থাকিব।
নোৱাৰে কোনেও আঁকিব প্ৰবাহিত সোঁতত চানেকি,
যিহেতু গোপনত ৰৈ যায় এটোপাল-দুটোপাল চকুপানী।

হানিকৰ হৈ পৰে সান্ত্বনাদায়ক সহচাৰী
ফুলেৰে পৰিপূৰ্ণ পথ এটা হৈ পৰে কাঁইটৰ শোৱাপাটী

# এনে লোক

যিসকল অসময়ত হৈ পৰে সৰৱ, ক'বৰ সময়ত থাকে নিমাত

এনে লোক সন্তুলিত হৈ থাকে ঘাঁহপাতৰ আগত যদিও
আমি তেওঁলোকক
ক'বলগীয়া আছে যি য'ত,
ক'বলৈ আৰু মাত মাতিবলৈ কৰোঁ অনুৰোধ।

তেওঁলোকৰ নিষ্ফল নীৰৱতাৰ শূন্য প্ৰদৰ্শনে
তেওঁলোকক দাগ দিয়ে তপ্ত লোহাৰ দৰে।

ফুচুলনিত কোনোৱেই
যাব নালাগে ভোল
যিসকল অসময়ত সৰৱ,
ক'বৰ বেলিকা হৈ পৰে নিমাত।

কাৰোবাৰ মিছা অপযশ শুনাটো
আৰু নিৰৱে থকাটো হৈছে এক পাপ

যিয়ে সঁচা কথা কয় তেওঁৰ বাবে
তেওঁ কৰা দায়-জগৰ মৰিষণ কৰা হৈছে

বতাহত, ব্যগ্ৰতা অবিহনে গছডাল ইফাল-সিফাল হৈ থাকে লৰি
যিহেতুকে সময় শাশ্বত, মিছা কথাবোৰ প্ৰকৃতিৰ বাবে অচিন।

# উদ্‌যাপন

চিলা উৰোৱা এই উৎসৱত, সূৰ্যৰ ফালে মুখ কৰি
মই পকাই লওঁ মোৰ হাতত চিলাৰ ডোলবোৰ
এই মাটিত মোৰ ভৰি দৃঢ়ভাৱে বহুৱায়।

আৰু আকাশত, মোৰ চিলা যায় আগুৱাই
বিহগ দৃষ্টিৰে চাওঁ মই, এই মহা আয়োজনত
ৰঙেৰে পৰিপূৰ্ণ আকাশখন, কি যে নয়নাভিৰামহ্ল

মোৰ চিলা নাচে আনসকলৰ মাজত, এক পবিত্ৰ কাগজৰ উৎসৱ
গছৰ আগবোৰে গান গায়,  সুঁহুৰি বতাহৰ শুনি,
কোনোডালেই ধৰা নাই মোৰ চিলা, যিহেতু ই নাচে আৰু ঘূৰে।
এই চিলা মোৰ গুৰু, মোৰ গায়ত্ৰী মন্ত্ৰ
সকলো সন্ধানীকে জ্ঞান দান কৰিবলৈ

এবাৰৰ বাবে সূতা ছিগি সৰি পৰা চিলা
ধৰিবলৈ কি যে হাউচ...

নাই কোনো কথা ধনী, চোকা বা উদা বুলি
পুৰণি আৰু নতুন, অতীত আৰু ভৰিষ্যত
সকলো বন্ধনৰ পৰা হয় মুকলি।

এই চিলাখনত আছে আকাশৰ চিৰি আৰু বতাহৰ চেতনা।

এসময়ত চিলাখন ইমান ওপৰলৈ উৰিছিল
আছে সেই মধু নিৰ্যাস, অভিজ্ঞতাৰ সোঁৱৰণি

সূৰ্যলৈ মোৰ যাত্ৰাও
ডোল এডালেৰে আৱদ্ধ এটি চিলাৰ জীৱন।

হে’ ভগৱান শিৱ, ব্ৰহ্মাণ্ডৰ স্বামী,
চিলাৰ ডোল আছে মোৰ হাতত
যেনেকৈ আছে মোৰ ডোল তোমাত।

প্ৰতিটো চিলাৰ বাবে বলে বতাহ
প্ৰতিটো সত্তাৰ বাবে, ঘূৰি আছে ভগৱান শিৱ।

সুউচ্চ হয় চিলাৰ সপোন, মানুহৰ আকাংক্ষাই চুব নোৱৰা,
ই উৰি শিৱৰ কোলাত পৰেগৈ, নিজৰ ডোল কাটি
যেতিয়া আমি থাকোঁ এই পৃথিৱীত
আৰু পাৰ কৰোঁ নিজৰ সময়, ইজনে সিজনৰ গাঁঠি সোলোকাই।

# কার্গিল

মই মনত পেলাওঁ কার্গিলৰ নিৰপৰাধিতা
ৰাতিপুৱাৰ সময়ত, টাইগাৰ হিলক মই দেখিছিলোঁ
এটা চূড়াৰ ৰূপত
সেইসময়ত
সম্ভ্ৰান্ত পৰ্বতৰাজৰ পবিত্ৰ নিৰ্জনতা
মোৰ হৃদয়ৰ হেঁপাহেৰে কৰিছিলোঁ আত্মস্থ।

কিন্তু আজি
হিমশিলা-মুকুট শৃংগৰ প্ৰতিজনেই চিঞৰে
বোমা, বৰতোপৰ প্ৰতিধ্বনিৰে।
এই হিমশিলাখণ্ডৰ ওপৰত
আমাৰ সৈনিকসকলক,
আমাৰ মানুহবোৰক মই দেখিছিলোঁ
গৰম আৰু জ্বলন্ত কয়লাৰ দৰে।
ইয়াত, প্ৰতিজন সৈনিকেই খেতিয়ক আছিল
আজি তেওঁ নিজৰ বীজ সিঁচে
আৰু তেজেৰে ইয়াত পানী যোগান ধৰে
যাতে আমাৰ ভৱিষ্যৎ
হালি নপৰে।
মই সৈনিকসকলৰ চকুত দেখা পাইছিলোঁ
কুঁৱলীৰ বাহিৰলৈ ওলাই অহা
এশ কোটি সপোন

তেওঁলোকৰ নিজৰ চকু-পতাৰ নোমবোৰ যেন
মৃত্যুদেৱতাক টানকৈ ধৰি ৰখা ডোল

তেওঁলোকৰ মনৰ চকুত,
মই দেখিছিলোঁ আমাৰ পৰাক্ৰমী লোকসকলক
মই উমান পাইছিলোঁ যমৰাজৰ উপস্থিতি (১)
সাষ্টাংগে আমাৰ বীৰসকলৰ চৰণ আছিল চুম্বন কৰি।

তেওঁলোকৰ বীৰত্বৰ তীব্ৰ তাপত
বৰফ গলি, উত্তাপবিহীন পৰ্বতখনলৈ বৈ আহে বসন্ত
আৰু বসন্তৰ প্ৰবাহত শৃংগবোৰৰ তললৈ
মই শুনো স্বৰ এটাৰ স্পষ্ট বাজনাৰ সুৰ।

সুজলাম (২)
সুফলাম (৩)
মলয়জশীতলাম (৪)
আৰু সেই বসন্তৰ গৰ্ভৰ পৰা
শস্যশ্যামলাম (৫)
মই গীতটোৰ আচল অৰ্থ অনুভৱ কৰিছিলোঁ,
বন্দে মাতৰম। (৬)

# ক্ৰিয়া

মই এজন কামৰ মানুহ
আনকি যেতিয়া মই লিখোঁ,
মই আঁকো শব্দৰ এটা বৃত্ত
আৰু তাৰপাছত বৃত্তটোক মই গঢ় দিওঁ বৰ্গৰ।
সেই বৃত্তটো, যিটো এতিয়া এটা বৰ্গ
মই বহুৱাও তাত ৰঙীন, মাৰ্বলৰ দৰে মসৃণ শব্দবোৰ
স্ফটিক এই শব্দবোৰ হৈছে
সত্যৰ শব্দ—
এটা বাক্যৰ শেষত চকুত চকুলো ধাৰণ কৰাদি ধাৰণ কৰে সময়।

লক্ষ্মণৰেখাৰ সীমাৰ ভিতৰত,
বিশেষণবোৰ থাকে ওচৰত
বিশুদ্ধতা ৰাখি ৰামৰ
খেলি থাকে সিহঁতে বিশেষ্যবোৰৰ সৈতে
টিক-টাক-টোৰ খেল।

মই ৰাখোঁ ক্ৰিয়াটো কেন্দ্ৰত
আৰু তাৰ পাছত মই দৃঢ়তাৰে আঁকো এটা অন্তহীন বৃত্ত।

# গৌৰৱেৰে কৰি থাকোঁ সত্যৰ সন্ধান

তেওঁলোকে যে কয়, মিছলীয়াসকলক কাউৰীয়ে ঠোঁটেৰে খুটিয়ায়।
আমি কি এই নিয়তিৰ পৰা বাচিবলৈকেহে সঁচা কোৱা উচিত?
সত্য হৈছে আমাৰ গৌৰৱ, আমি পিন্ধো হাতত ইয়াক
ডিঙিত মেৰিয়াবলৈ নহয় বাধ্যবাধকতাৰ যুঁৰলি।

আমি যদি নকওঁ সঁচা
সমাজে কৰিব বিদ্রূপ কুলি চৰাইৰ দৰে
আৰু তোমাৰ নিয়তি হৈছে এটা মৃত মাছ
য'ত বাৰে বাৰে খোঁট মাৰে এটা ভোকাতুৰ চৰায়ে

উৰাবাতৰিৰে ভৰা খবৰ
ৰাতিপুৱাই ওলায় ক'লা সূৰুযৰ দৰে।

সত্যত সূচনা আমাৰ আন্দোলন, সত্যতে ইতি
আমি আমাৰ যাত্ৰাত হওঁ মিলিত,
আমাৰ সতীৰ্থসকলে
মৈত্ৰী পদধ্বনিৰে
গঢ়ি তোলে নিষ্ঠাৱানৰ সমদল।

# এটা নতুন দিশৰ গান

ঘাঁহ বিচাৰি যোৱা গৰুৰ জাকটোৱে উৰুওৱা ধূলিয়ে
কিমান দিনলৈ শ্বাসৰুদ্ধ কৰিব
সন্ধিয়াৰ সূৰ্যৰ উশাহ

সূৰ্যৰ ৰশ্মিৰ তীক্ষ্ণ প্ৰসাৰতাই
কিমান দিনলৈ ভেদিব শীতৰ ৰাতিপুৱা ?
আবেলিৰ সূৰ্যৰ প্ৰখৰ তাপে
আৰু কিমান গলাব পকীপথৰ পিট্‌চ।
আৰু কিমান দিনলৈ পথাৰৰ নিমজ মাটিয়ে
মেলিব ফাটবোৰ
কাৰোবাৰ কোমল ভৰিৰ পৰা
তেজ ওলোৱাৰ আগতেই
অনুগ্ৰহ কৰি বন্ধ কৰা এইবোৰ ফাট।

গাবলৈ দিয়া মোক
পানী আনি থকা তিৰোতাগৰাকীৰ
তামৰ কলহৰ মুখত প্ৰতিবিম্বিত হোৱা
শীতল ৰশ্মিৰ গান।
মই গাব বিচাৰোঁ ভৰ দুপৰীয়াৰ
কঠোৰ পৰিশ্ৰম কৰা তিৰোতাৰ ঘামৰ টোপালবোৰত
জিলিকি থকা সূৰ্য ৰশ্মিৰ প্ৰতিফলনৰ গান।
মোক গাবলৈ দিয়া
গৰু অহা-যোৱা কৰা ধূলিময় বাটেৰে
কোমল মাখন ভৰিৰে খোজকাঢ়ি থাকোঁতে
শিশুটোক আৱৰি উৰা ধূলিকণাৰ গান।

মই কৰিব বিচাৰোঁ
ধূলিৰ সেই সৰু তিৰ্‌বিৰ্ কণিকাবোৰৰ
এটা এলবাম, ছবিৰ কিতাপ এখন।
মই আঁকিবলৈ বিচাৰোঁ এটা নতুন দিশৰ এখন ছবি
আৰু দিব বিচাৰোঁ আকাৰ প্ৰগতিৰ।
আজি সেই ছবিৰ ৰং আৰু ৰূপত
মই দেখিছোঁ এটা চেকা।

এই চেকাত
প্ৰগতিৰ সাংঘাতিক কুপ্ৰভাৱ?

শুকান নৰাৰ বাহিৰে
সেইবোৰ নহয় আন একো
সেয়া আমি নিজহাতে গঢ় দিয়া।

ধূলিৰ এই সৰু কণিকাবোৰ ওপৰলৈ উঠাই
কোমল মাখন ভৰিৰ খোজে উৰুওৱা ধূলিত
সেইসকলৰ তেজৰ ৰঙেৰে
পৃথিৱীখন তেওঁলোকে কৰি তোলে ৰঞ্জিত।

এইবোৰেই চিহ্ন আমাৰ গতি-প্ৰগতিৰ
বন্ধ কৰোঁ আহক বেচিবলৈ
এক আৰ্হি হিচাপে এই চেকা।

মই গাবলৈ বিচাৰোঁ
দুপৰীয়াৰ তপত সূৰ্যৰ গান।
সেই শিশুবোৰৰ মাজত বিয়পাই পোহৰ
মাথোঁ চাই থাকক আপুনি।
আজিৰ দিনটোৰ পিছত
এই এলবামটোত নাথাকিব কোনো চেকা
কিন্তু হায়, এই মুহূৰ্তৰ আগেয়ে

ইমানবোৰ শিশুৰ তেজ
নৰাবোৰে মাটি কৰিছে ৰক্তাক্ত
সেয়ে তোমাক মই কৰিছোঁ অনুৰোধ,
বন্ধ কৰা বঢ়াবলৈ এই বিহ পুলিবোৰ
কিয়নো মই সঁচাকৈয়ে গাব বিচাৰিছোঁ
এটা নতুন দিশৰ প্ৰগতিৰ গান।

# গৰ্বা নৃত্য

আপুনি শিকা উচিত
গৰ্বা, গান, নৃত্য
জানিবলে' আমাৰ গুজৰাটৰ বিষয়ে।
আমাৰ সৰ্বোত্তম সম্পদ, আমাৰ পৰাণৰ গভীৰতম মৰ্ম।
ই উদ্বেলিত কৰে আপোনাক, ই উটুৱাই নিয়ে আপোনাক, ই আপোনাক জানে।
বেলিটো, জোনটো, ঋতুবোৰ নিজেই গৰ্বা
গৰ্বা হ'ল নৃত্যৰতা দিন, আত্মহাৰা ৰাতি।
গৰ্বাৰ বাহ্যিক ৰূপেই আমাৰ সংস্কৃতি, আমাৰ প্ৰকৃতি,
ইয়েই হ'ল বাঁহীৰ সুৰ, ময়ূৰ পাখিৰ চোঁৱৰ,
গৰ্বা আমাৰ ধী-শক্তি, ইয়েই জাতিৰ মিলনথলী
ই হৈছে সাহসীসকলৰ, প্ৰাণিত কৰে সফল প্ৰেম
শৰীৰ হৈছে গৰ্বা আৰু আত্মা হৈছে গৰ্বা, ইয়েই জীৱনৰ জিৰণিৰ জুৰ।
গৰ্বাই আত্মত্যাগ, ইয়েই কৰ্মোদ্যম,
ইয়েই কুমাৰীৰ ফুলশয্যা
গৰ্বাই সত্য, ইয়েই সৰ্বস্ব;
দেৱীমাতৃৰ কপালৰ সেন্দূৰ ফোঁট হ'ল গৰ্বা।

# গানত

চৰাইৰ পাখিত লুকাই থকা এই গানত
কুলি আৰু নাইটিংগেল চৰায়েও কয় কথা।
এখন ডেউকাত আছে পৃথিৱীৰ আত্মা
আৰু আনখনত আছে আকাশৰ প্ৰভা।

মোৰ কাগজত মই আঁকো এটি বেলি
আৰু মই আঁকো এটি পূৰ্ণমুখী জোন,
মোৰ কাগজেই এডাল গছলৈ আনে পুষ্পশোভা
আৰু আনে গছলৈ কুঁহিপাত
আত্মীয়সকলৰ স্মৰণিকাৰূপে মই ৰাখিছিলোঁ শিল
যিহেতুকে পৃথিৱীখন জোকাৰি গৈছে বসন্তই সজীৱ ৰসেৰে।

এফালে মৰুভূমি আৰু আনফালে সাগৰ
তৃতীয়ফালে, নৈৰ লিপি,
কণ্ঠত মোৰ নেদেখাজনৰ তৃষা
বহু চেষ্টাৰ পিছতো তৃষা ৰ'ল অপূৰণ
মই খোজকাঢ়োঁ মোৰ কান্ধত কঢ়িয়াই আকাশখন
আৰু বহি থাকোঁ ধৰিত্ৰী আইৰ কোলাত।

# ফুল চাকি গোলাপৰ

আছে এক অশুভ নৰ্দমা
মানুহে নিজে খন্দা
নিজৰ কুবুদ্ধিৰে।

মই বিচাৰোঁ এখন দলং হ'ব
প্ৰেমৰ কাৰক বহন কৰিবলৈ।
মানুহৰ মিলন
স্বাভাৱিক, অস্বাভাৱিক
অভাৱনীয় কাৰণত।

আৱৰ্জনাৰ স্তুপত বাগৰি ফুৰা নিৰৰ্থক
যদিও অৰ্থহীন নহয় তাত গজা গোলাপ।
সিঁচৰতি হৈ থকা অপতৃণবোৰ আঁতৰাই
আৱৰ্জনাৰ স্তুপত গজা,
তাতে আমাৰ উদ্ভাৱন, ফুল চাকি গোলাপৰ।

# গৌৰৱান্বিত, এজন হিন্দু হিচাপে

মই গৰ্বিত,  মানুহ হিচাপে, এক হিন্দু ৰূপত।
ইয়াৰ পৰা প্ৰস্ফুটিত জলেই হ'ল বিশাল মহাসমুদ্ৰ।

মোৰ বিশ্বাস, নহয় আনক মাৰি পোৰা,
ই হ'ল মোৰ সতীৰ্থৰ সুখৰ কাৰণ।
মই ভালপাওঁ সংগ কেৱল সেইজন মানুহৰহে
যিজন উমাল হৈ আছে ধৰ্মানুৰাগৰ উমেৰে
য'ত নৰ্মদা নৈৰ পানী বয় জীৱনৰুধিৰ দৰে,
মই ফুলৰ পাহিত এটি নিয়ৰৰ টোপাল।
মই গৰ্বিত মানুহ হিচাপে, এক হিন্দু ৰূপত।

চকুটো যদিও দেখা যায় সৰু তথাপি
ইয়াৰ দৃষ্টিশক্তি সঁচাকৈ সুদূৰপ্ৰসাৰী
মোৰ পথ নহয় মাথোন এটা ধৰ্মীয় সম্প্ৰদায়
মোৰ জ্ঞানাৰ্জনৰ পঢ়াশালি বৈচিত্ৰ্যময়
মোৰ আকাশত অগণন বেলি, মেঘ, গ্ৰহ, হাতীপটি,
মই কিন্তু এটা জোন।
মই গৰ্বিত মানুহ হিচাপে, এক হিন্দু ৰূপত।

# পৰিহাৰ

থৈ যোৱা এই কায়া, এৰি যোৱা এই মায়া
থৈ যোৱা এই ভৌতিক বস্তুবোৰ, খন্তেক ওলাই যোৱা ছাঁৰ পৰা।
ভাঙা এই দুৰ্গ, ওলাই যোৱা এই পিঞ্জৰাৰ পৰা
এৰি আৰামৰ এই কোমল সপোনবোৰ।

ৰাতিৰ এই পৃথিৰীত ফুৰা ঘূৰি
আন্ধাৰত, গীত গাই, অকলে অকলে।
বাদ দিয়া এই কথা, বাদ দিয়া এইবোৰৰ অৰ্থ
বাধা ভাঙা আৰু মুক্ত বিচৰণ কৰা।

নল'বা কোনো বুজ লগৰ যাযাবৰসকলৰ
তাত তেওঁলোক থাকক বা নাথাকক।
বাদ দিয়া এই আসক্তি, এৰা এই সংগ্ৰাম
নিঃসংগজনৰ পথেৰে লাহে কৰি মুখ ঢাকি।

# ল'কষ্টেপত

মোৰ প্ৰিয় দেৱতা সূৰ্যদেৱতা
নিজৰ হাতত দৃঢ়তাৰে তেওঁ
ধৰি ৰাখে সাতটা ঘোঁৰাৰ লেগাম।

সমন্বিত খোজেৰে সিহঁতে
কৰে চলাচল,
এমূৰৰপৰা আন মূৰলৈ মাজেদি আকাশৰ
এনেয়ে অকামিলা হৈ পৰি আছে
চাবুক তেওঁৰ।

আৰু তথাপিও সূৰ্যৰ মন
তেওঁৰ গতিবিধি আৰু তেওঁৰ দিশ
সুৰক্ষিত ঘোঁৰাৰ দৰে, ভৰি দৃঢ়
ৰথখনে বৈ নিয়ে সূৰুযৰ প্ৰেম।

# ভগৱানৰ ছত্ৰছায়াত

সফলতাৰ পথত থাকে ঈৰ্ষা
বিফলতাৰ পথত আমি আচৰোঁ দয়া
দুয়োটাৰ বাহিৰত মই বিচৰা মুকুতি।

ভীৰুতা, মোৰ ঘোৰ বৈৰী
দুখে নাজানে মোৰ সংগী।
অনুগ্ৰহৰ পৰিপূৰ্ণতাৰে জীয়াই থাকি
মই আগ্ৰহী মৃত্যুৰ আলিংগনক জনাবলৈ আদৰণি।

ভগৱানৰ সুৰক্ষামূলক ছাঁত শিকোঁ মই অবিৰতভাৱে
মই এজন সুখী শিক্ষাৰ্থী।
সফলতাৰ পথত থাকে ঈৰ্ষা
বিফলতাৰ পথত আমি আচৰোঁ দয়া।

ইয়াত আছে অপবাদৰ লুণীয়া সাগৰ
আছে প্ৰশংসাৰ মৌ-মিঠা ভাষণ,
দুয়োটায়ে আছে অনৰ্থক শিৰিৰত
ৰাখিব লাগিব দুয়োটাকে দূৰত।

মই প্ৰাৰ্থনা কৰোঁ যাতে যুদ্ধভূমিত, নকঁপে মোৰ হাত-ভৰি

সফলতাৰ পথত থাকে ঈৰ্ষা
বিফলতাৰ পথত আমি আচৰোঁ দয়া।

# বসন্তৰ আগমন

সমাপ্তিয়ে সূচনা, সূচনাই সমাপ্তি।
গীত জুৰে শৰতৰ হৃদয়ত বসন্তকাল আহি
যোড়শী কুলিজনীয়ে ক'ৰবাত মাতে
ইয়াতে কি তাতে নিয়ন্ত্রিত ধ্বনি,
শিমলুৰ ডালত পলাশৰ জুই
এয়াই নেকি প্রেম বিৰিখহুঁ
দেখাত নিছলা যদিও
গুপ্ত ধনৰ ভঁৰাল
শৰতৰ হৃদয়ত গীত জুৰে বসন্তকাল আহি।

আজি, অৰণ্যখন জিলিকিছে এনেদৰে
যেন বিয়া এখনত,
প্রতিজোপা গছ যেন পোহৰৰ চাকি।
আশীর্বাদ দিবলৈ আহি আছে সিদ্ধ পুৰুষসকলে।
শৰতৰ হৃদয়ত আহি গীত জুৰে বসন্তকালে।

# মিছলীয়াৰ প্ৰশংসা

যদি আপুনি মাতে পানীক শিল বুলি
অথবা শিলক আপুনি কয় পানী
আপুনি দাবী কৰে মেঘ, আকাশত কৰে এটা ভাঁজ
পদুমক কদম বুলি মাতে
আপুনি
এনেকৈ আপুনি কৰে নিজৰ স্বৰূপ প্ৰকাশ।

সত্য বুলি ক'ব পাৰে উৰাবাতৰিক আপুনি
আৰু সেই দিনটোক ৰাতি বুলি কৰিব পাৰে দাবী
আপুনি ক'ব পাৰে বসন্তক শৰৎ বুলি
সাগৰক অপবাদ দি, কওক ইয়াক মৰুভূমি
আনকি আপুনি ক'ব পাৰে জীৱনক, মৰণ বুলি।

এইটো, আপোনাৰ কথাৰ ব্যভিচাৰ
এই আচৰণলৈ স্বাগতম আপোনাক।
আপোনাৰ কথা-কামৰ নীৰৱ সাক্ষী
শান্ত, উদাস আৰু স্থিৰ প্ৰকৃতি।

# ছবিৰ বাহিৰত

আপুনি দেখা ছবিখন ময়েই, তথাপি নহয়
সেই পোষ্টাৰখনত তাতো মই, আৰু নহয়
এইটো নহয় কোনো সাঁথৰ।

ছবিখন নহয় আত্মাৰ দৰে
ই তিতি যায় পানীৰে
জুইৰে জ্বলে ই,
যেতিয়া সেমেকে বা জ্বলে,
নোহোৱা হয় ছবি, কিন্তু মানুহজন যায় থাকি।

নকৰিব কোনো প্ৰয়াস বিচাৰিবলৈ মোক
ছবিখনত, অসাৰ্থকতাৰ এক কছৰৎ
বহি আছোঁ মই, ভৰি তুলি ভৰিৰ ওপৰত
সম্পূৰ্ণ বিশ্বাস— কথা, আচৰণ, কামত।

আপুনি মোক জানে কেৱল কৰ্মৰ দ্বাৰা
কৰ্ম যে জীৱনৰ কবিতা
কবিতাত আছে পদ্যৰ অনুশাসন
থাকিব পাৰে ইয়াত সুৰ অথবা ছন্দ।
মোৰ দোলনাত, গীতাৰ সাৰকথা

ছবিৰ ফ্ৰেম অলংকৃত কৰে মোৰ কামে
কিয়নো আপোনাৰ চকুযুৰি,
কোনো কাৰণ নোহোৱাকৈ সেমেকে
মোৰ পবিত্ৰ প্ৰেম আপুনি অনুভৱ কৰাৰ পৰত।

এই ছবিখনত নহয়,
কিন্তু আপুনি মোক বিচাৰি পায়
মোৰ পৰিশ্ৰমৰ ঘামৰ সুবাসত।
মই থাকোঁ আঁচনিৰ হলৌচোলাটোত
মোৰ কণ্ঠস্বৰ বেলেগ বহুত,
আপুনি এতিয়া দেখিছে,
আপোনাৰ প্ৰতিবিম্বন,
মোৰ দুচকুত।

# দৰ্শন

উদ্যান যেন লগা এক অৰণ্যত
বহি আছোঁ মই গছৰ তলত।

বতাহত দোলে এই সেউজীয়া ঘাঁহ
যিহেতু পখিলাৰ পাখিৰ গতি দ্ৰুত
চকুৰে মণিব নোৱৰা
ভোমোৰাই নিজে গুণগুণাই
পান কৰে ফুলৰ সাৰভাগৰ পৰা।

উৰণীয়া এই দৃশ্যবোৰৰ সৈতে
দুচকুত ইমান সহজে
সন্ধিয়া নামে
মোৰ মনৰ চকুত, গছডাল সম্পূৰ্ণকৈ উন্মুক্ত
তৰাৰ নিচিনা ফুলবোৰে অন্ধকাৰত ধৰে কলি
পখিলাৰ পাখি পিন্ধি আছোঁ মই বতাহত ভাঁহি।
জোনাকীপৰুৱাৰ দৰে
সৰু সৰু পোহৰবোৰে
কথা পাতে মোৰ সৈতে
মই গাওঁ এটা আত্মজ্ঞানী গান
সকলোৰে পৰা পোৱা মৰম-চেনেহেৰে

বতাহত উৰে এই সেউজীয়া ঘাঁহ
মোৰ অৰণ্য-উদ্যানত।

# ভক্তি

আমি দেখিছোঁ শৰীৰটোৱে কৰে ইয়াৰ কাম,
দৰকাৰী আঁচনি মনেও কৰে

কিন্তু ঈশ্বৰীয় পথ হৈছে অদ্বৈত,
আৰু মোৰ প্ৰকৃত ভগৱান সীতাৰাম।

শব্দহীনভাৱে বীণাই মধুৰ মুৰ্ছনা তোলে
আৰু সূক্ষ্মাতিসূক্ষ্ম সুৰ তোলে
এটা মাথোঁ শব্দৰে স্পন্দিত মোৰ হৃদয়, কেৱল
তোমাৰেই পবিত্ৰ নাম।
মনটোৱে কৰে ইয়াৰ দৰকাৰী আঁচনি
আৰু শৰীৰটোৱে কৰে ইয়াৰ কাম

মোৰ সকলো ইন্দ্ৰিয়ৰ পৰা জাঁপ মাৰে জন্মৰ এই আবেগিক জোৱাৰ-ভাটা।
মোৰ চকুযুৰিৰ পৰা চাওক, অস্থিৰভাৱে ওপঙি আছে মোৰ পৃথিৱীখন।
মই অযোধ্যাৰ ওপৰত স্থিৰ কৰোঁ মোৰ মনৰ ভাৱনা;
আৰু ইয়াত চিৰন্তন
*ৰঘুপতি ৰাঘৱ ৰাজা ৰাম*
মনটোৱে আঁচনি কৰে নিজ দৰকাৰৰ,
আৰু শৰীৰটোৱে কৰে ইয়াৰ কামবোৰৰ।

# নদী নৰ্মদা

কেৱল এখন নদী নহয়, আমাৰ নৰ্মদা
যুগে যুগে শ্ৰদ্ধা পায় সন্তানসকলৰ
চিৰন্তন প্ৰবাহৰ তেওঁ এক উপাসনা।

মই বিচাৰি উলিয়াওঁ গুজৰাটৰ হাতৰ তলুৱাৰ দৃশ্যপটৰ মানচিত্ৰত
তেওঁৰ গতি-পথ,
তেৰেঁই জীৱনৰেখা
তেওঁৰ লোকসকলৰ তেৰেঁই ভাগ্যদেৱী

তেওঁৰ জীৱনদায়িনী পানী বিশুদ্ধ
যিয়ে তেওঁক কৰে অসুস্থ
অথবা তেওঁৰ বুকু কৰে বিষাক্ত,
সেইসকলক কৰি দিয়ক সতৰ্ক
কবি কবীৰাৰ প্ৰতিশোধৰ বিষয়ে
যিয়ে তেওঁৰ উপকূলৰ প্ৰহৰী।

এই নৰ্মদাত আছে বহুতো খ্যাতিমন্ত পুত্ৰ
গান্ধীজী, বহুজন নৰ্মাদ, বহুজন মুন্সী,
তেৰেঁই আছে চৰ্দাৰ পেটেলৰ চকুত জিলিকি
তেৰেঁই আছে গুজৰাটৰ পৰিচয় ধাৰণ কৰি।

আমাৰ বংশৰ তেৰেঁ দেৱী
আৰু বৰদাতৃ,
মই তোমাক প্ৰণাম জনাইছোঁ, মা।

# শক্তি

বাধিত হ'বলৈ ভাগ্য নহয় কোনো শিক্ষক
মই এজন মানুহ যিয়ে কৰোঁ প্ৰত্যাহ্বান উপভোগ।
মই সন্তুষ্ট নহয় আনৰ মহিমা প্ৰতিফলিত কৰি
মই নিজেই এটা জ্বলন্ত চাকি।
নহয় নিৰ্ভৰ আন কোনো চমকপ্ৰদ পোহৰৰ ওপৰত
মোৰ নিজৰ পোহৰেই আছে মোৰ বাবে আঁটাকৈ
অন্ধকাৰৰ চাকনৈয়াৰ মাজেৰে কাটিবলৈ
উজ্জ্বল পদুমে দিয়ে মোক শক্তি।
মোৰ কোনো আগ্ৰহ নাই অস্পষ্টতাৰ কুঁৱলীৰ প্ৰতি
মুক্ত আৰু নিঃসংকোচ।
বাধিত হ'বলৈ ভাগ্য নহয় কোনো শিক্ষক
মই এজন মানুহ যিয়ে কৰোঁ প্ৰত্যাহ্বান উপভোগ।

জন্মপত্ৰিকা এখন নলওঁ মই সত্য বুলি মানি
আৰু নোদোৰাওঁ মূৰ মোৰ দূৰৈৰ গ্ৰহবোৰলৈ,
যেতিয়া কাপুৰুষসকলে ৰূপাংকণ কৰে এই জীৱনৰ নিয়ম,
তেওঁলোকৰ নিৰ্বোধ খেল খেলিবলৈ মই কৰিম অস্বীকাৰ।
মোৰ নাই কোনো উত্তৰাধিকাৰী; একমাত্ৰ ময়েই হ'লোঁ উত্তৰাধিকাৰী মোৰ
বাধিত হ'বলৈ ভাগ্য নহয় কোনো শিক্ষক
মই এজন মানুহ যিয়ে কৰোঁ প্ৰত্যাহ্বান উপভোগ।

# কাইলৈৰ প্ৰত্যাহ্বান

ডাঙৰ হৈছে পৃথিৱীৰ কান্দোন
তীক্ষ্ণ হৈছে আকাশৰ চিঞৰ
সঠিক উপায়বোৰ হৈছে পাহৰণিৰ পথ
ভগৱান পাৰ্থৰ পছন্দৰ বাবে প্ৰত্যাহ্বানমূলক সময়

বেষ্টনীত বিক্ৰী হৈছিল মানৱসত্তা
উদঙাই সিহঁতৰ মানৱতা,
পিশাচত হৈছিল পৰিণত,
হাহাকাৰৰ শিঙা বজাই
যুদ্ধলৈ আহ্বান জনাই
মৰা-কিলা কৰিবলৈ, ৰাস্তাৰে দৌৰে সিহঁতে।

অহংকাৰৰ দেৱাল থিয় হৈ
সিহঁতৰ পাছত, সংহাৰ কৰে সপোনবোৰ।
তাত আছে প্ৰত্যাহ্বান, আছে আহ্বান।

সমতাৰ সঁচা শব্দবোৰ হৈ থাকিল কেৱল মুখৰ কথা
ভৰিৰে মোহাৰিছিল একতা,
সংগঠনৰ দুৱাৰ কৰিছিল বন্ধ
প্ৰতিহিংসাৰ পিছফালে এৰি এটা নৰককুণ্ড।

চকুপানী হৈছে দেধাৰ
আৰু যেনিয়ে তেনিয়ে মাথোঁ অন্ধকাৰ।
তাত আছে প্ৰত্যাহ্বান, আছে তাত আহ্বান।
ভোকাতুৰ শৰীৰ, ভঙা মন

মানুহে মানুহৰ ওপৰত কৰিছে খং।
এক হিচাপে নিন্দুক জনতাই মাৰে জাঁপ
ভাবিবলৈ কি আছে, কেৱল কাম।
দেৱালবোৰ ভাঙিবলৈ
কয়লাৰ দগ্‌মগীয়া এঙাৰৰ দৰে উজ্জ্বল চকুৰে
তাত আছে প্ৰত্যাহ্বান, আছে তাত আহ্বান।

ধ্বংসস্তুপত সপোনৰ সন্ধান কৰিবলৈ
সপোনে যিহেতু জীৱনক দিয়ে
জীয়াই থকাৰ অৰ্থ
অতীতৰ কথা পাহৰি
আজি কৰোঁ আহা
হৃদয়-উদাৰ
কৰোঁ আহা দিগন্তৰ প্ৰসাৰ

ইজনে সিজনৰ সমৰ্থন লৈ
এটা উজ্জ্বল নতুন আৰম্ভণিক
বাট দেখুৱাই আগবঢ়াই নিবলৈ
তাত আছে প্ৰত্যাহ্বান, আছে তাত আহ্বান।

# পখিলা

এক মুহূৰ্তৰ বাবে পৰি ফুলৰ ওপৰত, পখিলাটো
ডুব যায় ৰঙৰ সাগৰত।
তাৰপাছত উৰা মাৰে,

ওচৰৰ মৃদু সুবাসৰ পুখুৰীৰ
উপৰিভাগৰ ওপৰেৰে লাহেকৈ
পখিলাটো যায় পাৰ হৈ।
সুখৰ এক কোমল সূৰ্য পখিলাৰ দৰে ওপৰলৈ উঠি
কৰণীয় কাম কৰি, যায় ফুল এৰি।

আশ্চৰ্যজনক এই জীৱন, ইয়াৰ স্থায়িত্বহীনতা,
আমি আহোঁ আৰু যাওঁ, আমাৰ জীৱন কেৱল সোঁৱৰণি।
যিয়ে বান্ধি ৰাখে বান্ধোনবোৰ, নাযায় সেইবোৰ সহজে ভাঙি।
যিহেতু ৰঙৰ সাগৰত, পুনৰ ডুব যায় পখিলাটো।

# মৌমাখিৰ সৈতে পৰিচয়

কেতিয়াবা কেতিয়াবা, মই দেখাও মৌমাখিৰ নিচিনা
আনকি শীতৰ ৰাতিপুৱাৰ ৰ'দতো;
মই জিলিকি থাকোঁ ভিতৰফালে
ব'হাগৰ তাপৰ সৈতে
ইফালে-সিফালে ঘৰ বিচাৰি ফুৰোঁ, মৌমাখিৰ দৰে
মই বহোঁ সকলোতে, যদিও নাথাকো ক'তোৱে।
বহি থাকোঁ ক্ষন্তেক সময়ৰ বাবে মই ফুল এটাৰ ওচৰত
আৰু তাৰ পাছত
প্ৰৱেশ কৰোঁ মই ইয়াৰ সুবাসত।
বিচাৰোঁ মই
যতন অবিহনে মুকলিভাৱে,
বতাহৰ কোবত ওপঙি থকা
গুলপীয়া ফুলটো
কেতিয়াবা আক', মই দেখাওঁ মৌমাখিৰ দৰে।

য'ত আছে বাগিছা তাত আছে সুৱদী সুৰ
আৰু বৰ্ণিল নাট মুকলি হৈছে লনত,
আনে যোৱা পথেৰে নাযাওঁ মই
মোৰ আছে স্বতন্ত্ৰ, বিহংগম খোজ।
দেখাত যেন ফকীৰ, দুখীয়া আৰু বেপেৰুৱা
কিন্তু মনেৰে মই এক সমৃদ্ধ বৃক্ষ
কেতিয়াবা আক' মই দেখাওঁ মৌমাখিৰ নিচিনা।

এটা শিলাময় বাট লওঁ আৰু উজুতি খাওঁ
স্বাধীনতাৰ স'তে অন্তৰায় অঙ্গাঙ্গী

মই বনাইছোঁ এই শিলবোৰেৰে চিৰি,
ওখ পৰ্বতত আৰোহণ কৰিবলৈ।
মোৰ ঈশ্বৰ আছে চিৰকাল ওপৰত;
মুক্তিৰ বাবে সংগী মই বিনা পইচাৰ।
কেতিয়াবা আক', মই অনুভৱ কৰোঁ মৌমাখিৰ দৰে।

# স্বচ্ছতা বিষয়ক

ন-জোনৰ নিশা এটাৰ ৰহস্যময় নীৰৱতা
অথবা অপৰাধবোধেৰে ভৰা অপৰাধীৰ মৌন অবাধ্যতা
এইবোৰৰ ৰক্ষণাবেক্ষণত মই
কেতিয়াও নকৰোঁ বিশ্বাস।

স্বচ্ছ হৈ থকা আৰু পানীৰ দৰে বৈ থকা,
যাক কৰোঁ মই অন্তৰেৰে লালন-পালন।

চকুৰ ভ্ৰমৰ পানী আৰু
ইয়াৰ মনেসজা বোকাবোৰত,
ভেকুলীৰ ধাৰণা, সকলোবোৰ ভ্ৰান্তি স্বৰ্গৰ
সেইবোৰৰ পৰা মই লাভ নকৰোঁ কোনো ভৰণ-পোষণ।

অন্যায়ৰ আগত ক্ৰোধী চকু উঠোৱাত
অথবা ন্যায়ৰ আগত সিহঁতক শান্তভাৱে সৈমান কৰোৱাত
এজন মানৱ সন্তানে
কিয় কৰিব লাগে লাজহু

# এটা নতুন দিনৰ অপেক্ষা

গৰম আকাশত উঠিছিল এক পাথৰময় সূৰ্য।
মৰাপাট-কাপোৰৰ সমানে মোটা আৰু খহটা
আছিল গোটেই দিনটো।
শুকান বতাহে অবুজন আৰু নিমৰমিয়ালভাৱে
স্পৰ্শ কৰিছিল গছবোৰ।
অসুস্থ ৰোগীৰ দৰেই কাহিছিল আবেলিটোৱে
আৰু অসহায়তাৰ অনুভৱেৰে নামিছিল সন্ধিয়াটো
অন্ধকাৰৰ ক'লা ঘেলঘেলীয়া বোকাত ঘূৰিবলৈ।

বেলিফুলটোৱে গোটেই ৰাতি
অপেক্ষা কৰি আছে কাইলৈৰ সূৰুযলৈ।
যেতিয়া এটা নতুন ৰাতিপুৱা,
সূৰ্য উদয় হয়, এপাহ ফুল হ'বলৈ।

# ভগৱানৰ কৃপা

হে প্ৰভুহ্ল
এই পৃথিৱী আৰু মোৰ আপোন সত্তা
মই সন্তুষ্ট কৰিব পাৰিব পাৰোঁ বা নোৱাৰিব পাৰোঁ।
কিন্তু তুমি, হে প্ৰভু,
মই কেতিয়াও দুখ নিদিওঁ আনৰ অন্তৰত।

তোমাৰ কৃপাতে, ফুল হৈ পৰে কাঁইটবোৰ
যদি মই থাকোঁ থিয় হৈ বৰষুণত
ছাঁ অথবা আৱৰণ অবিহনে
তুমি ওচৰ চাপি আহা, ৰ'দৰ ৰূপত।

আহিব পাৰে আৰু যাব পাৰে ঋতু,
দুনাই আহিবলৈ যায় মাথোঁ
কিন্তু তুমি সদায়েই বসন্ত হৈ আছা
মোৰ হৃদয়ৰ ঋতুত।

বহুত দিছা মোক তুমি
সেই দিনবোৰ যি সময়ত এটাই মাথোঁ প্ৰশ্ন
তোমালৈ, মোলৈ, আমি দুয়োলৈ।
তোমাক সন্তুষ্ট কৰিবলৈ
কি কৰা উচিত মই?
অথবা, কি কৰা উচিত নহয় মই?

# প্ৰচেষ্টা

সময় আহিব পাৰে মোৰ চকু তললৈ নমোৱাৰ,
কিন্তু মোৰ দৃষ্টি থাকিব অবিচলিত হৈ
মই আছোঁ পোন হৈ পৰ্বত এখনৰ দৰে, বিশুদ্ধ নৈৰ নিচিনা।

মোৰ শব্দবোৰ সাজোন মাথোন নহয়
মোৰ কথা নাভিৰ পৰা ওলোৱা,
ভালপাওঁ মই এই দেশ।

গান এটা গাওঁ মই নীৰৱতা উপভোগ কৰি,
আৰু ইয়াৰ সুৰত
আমাৰ দেশৰ মূল্যবোধ
প্ৰতিধ্বনিত হৈ আছে বহু শতাব্দীজুৰি।
সময় আহিব পাৰে মোৰ চকু তললৈ নমোৱাৰ,
কিন্তু মোৰ দৃষ্টি থাকিব অবিচলিত হৈ।

মোৰ প্ৰত্যেক আৰু প্ৰতিটো কামৰ আঁৰত আছে ঈশ্বৰৰ আশীৰ্বাদ,
যিজনে ভুল কৰিবলৈ নিদিয়ে কোনো উচটনি,
নাথাকে কোনো ভয় কেতিয়াও;
সকলো বিতৰ্ক আৰু সংলাপ,
সেইবোৰ কেৱল ভিতৰৰ।
মই কাম কৰোঁ মোৰ প্ৰতিজ্ঞা অনুসৰি; নহ'ম মই কেতিয়াও অনৈতিক।
সময় আহিব পাৰে মোৰ চকু তললৈ নমোৱাৰ,
কিন্তু বিচলিত নহয় মোৰ দৃষ্টি।

# প্ৰাৰ্থনা

প্ৰতিটো ভিৰত, প্ৰতিটো সমাৱেশত
অতি মৰমৰ আত্মীয়, বন্ধুসকলক,
উষ্ম আলিংগনেৰে
দুয়োবাহু মেলি জনাওঁ মই আদৰণি।
আমাৰ সামান্য আবাসৰ দৰ্জাৰ ওপৰত
খোদিত কৰোঁ মই, ‘সত্যক স্বাগতম।’
দৰাচলতে যেতিয়া ই হয় এক আচম্বিত শয্যাসংগী
অথবা প্ৰদান কৰে কেৱল মৃদু শান্তি।

সুগন্ধি বাগিচাৰ মিছাতকৈ অধিক,
সাৰৰ দুৰ্গন্ধিই সত্য, যাক মই দিওঁ মূল্য
মই দেখা সকলোতেই পাওঁ মই সত্য বিচাৰি,
আনকি মোৰ নিন্দুকসকলৰ পৰা,
মই চাওঁ ইয়াক সাৱধানে চালি-জাৰি।
উৰাবাতৰি আৰু প্ৰবঞ্চনা, সেইবোৰক মই
সৌজন্য আৰু ভাল বিচাৰৰ সৈতে দিওঁ জোকাৰি
মিছা সাক্ষীৰ দ্বাৰা জীৱনক কৰিব নালাগে বিপথে পৰিচালিত।

সত্যপ্ৰাপ্ত হ’বলৈ মাজত যি আছে দুটা চৰম সীমাৰ।
এক যোগ্যতা যিটো ঈশ্বৰে মোলৈ দিছিল উপহাৰ।
সত্য হ’ব পাৰে পৃথক প্ৰতিজনৰে
আৰু সাধাৰণতে ই হয়েই।

মই বিচাৰোঁ মোৰ সত্যৰ একান্ত অনুগত হৈ থাকিবলৈ
কিয়নো মোৰ বাবে সত্য সূৰ্যৰ দৰে
মই প্ৰাৰ্থনা কৰোঁ প্ৰতিটো মুহূৰ্ততে
মোৰ জীৱনটো যাতে হ'ব পাৰে গায়ত্ৰী মন্ত্ৰৰ দৰে।

# প্ৰেম

মোৰ এই প্ৰেম তৰলৰ শৃংখলাৰ নিচিনা
যিমানে চেষ্টা নকৰিলেও, ইয়াক বান্ধিব নোৱৰা।
যদি কোনোবাই প্ৰতিশ্ৰুতি দিয়ে, যিটো মই নাপাওঁ ভাল।
তাৰপাছত সেই সম্পৰ্কত নাথাকে মোৰ হৃদয়ৰ টান।
গোটেই ৰাতিৰ নিয়ৰৰ দৰে হিমশীতল হৈ পৰা এই প্ৰেম
নোৱাৰি কেতিয়াও ধৰিব, পাৰি মাথোঁ অনুভৱ কৰিব।

সূৰুযে নলয় গঢ় কেতিয়াও বন্ধ মুঠিৰ
মুক্ত বতাহক কৰিব নোৱাৰি পিঞ্জৰাবদ্ধ।
এই প্ৰেম মেঘৰ দৰে ল'ব পাৰে যি বহু বহু ৰূপ
পিছে নোৱাৰি ধৰিব বান্ধি
মাথোঁ পাৰি কৰিব উপলব্ধি

আহিব কুঁৱলী আৰু যাব কুঁৱলী
ইয়াৰ বহু ওপৰত থাকে সূৰ্য, যি নিৰ্মম।
ৰাজহাঁহৰ দৰে সুন্দৰ মোৰ প্ৰেম
আকাৰবিহীন, মুকুতাৰ কণ্ঠহাড়ত ইয়াক বান্ধিব নোৱাৰি।

# নিষ্ফল প্ৰচেষ্টা

মই চেষ্টা কৰিছিলোঁ ওখ পৰ্বতবোৰ অতিক্ৰম কৰিবলৈ
শেষ হৈছিল মোৰ যাত্ৰা কেইটামান শিলত।
মই চেষ্টা কৰিছিলোঁ প্ৰস্ফুটিত বাগিছা এখন সাজিবলৈ
কাঁইটীয়া জাৰণিৰে পুৰস্কৃত কৰিবলৈ।

মই বিচাৰিছিলোঁ শক্তিমন্ত্ৰ নদীৰ পানী পাৰ হ'বলৈ
জলকেলি কৰা পখীৰ সন্মুখত পানীৰ ফেনৰ শকতিৰ আগত
মূৰ দোৱাইছিলোঁ।
মোৰ পৰা বহু দূৰত আছিল উষ্ণ সূৰ্য
মই ছাঁৰ প্ৰতিমূৰ্তি ঢুকি পাইছিলোঁ মাত্ৰ।

মই গৈছিলোঁ জোনৰ প্ৰেমত পৰিবলৈ
কিন্তু তাৰ পৰিবৰ্তে গোটেই আকাশখনকে হেৰুৱালোঁ।
শক্তিমন্ত্ৰ সাগৰৰ এটা মাথোঁ ঢৌৰ বাবে হাবিয়াস কৰি
পানীযুঁৰলিত বহি আছিলোঁ মই আৰু কান্দিছিলোঁ।

# মাজনিশা

মাজৰাতি হৃদয়ৰ বাবে খোলে এখন দুৱাৰ,
কুলিৰ গীতৰ দৰে, যাতে শব্দই সাৰ পায় স্বয়ং
কিন্তু আমি থাকোঁ নীৰৱে
দেৱালবোৰে নির্জনতাৰ প্রতিধ্বনি কৰিবৰ পৰত।

মনৰ আটাইতকৈ আন্ধাৰ গোপন, ভিতৰতে থাকে আবদ্ধ,
যদিওবা সিহঁতে বিচাৰে পোখা মেলিবলৈ
আৰু পানীৰ দৰে হৃদয়ত নির্গত কৰিবলৈ।
তথাপি আমি থাকোঁ মৌন হৈ,
দেৱালবোৰে নির্জনতাৰ প্রতিধ্বনি কৰিবৰ পৰত।

কেৱল আমিহে জানো মনৰ বেদনা,
অংশী হ'বলৈ আছেনে নাই লগৰীয়া
এই আবেগবোৰ যি সৃষ্টি হয় বন্ধ দুৱাৰৰ পাছফালে,
হতাশাগ্রস্ত মনত চলে ধ্বংসযজ্ঞ।
তথাপি আমি থাকোঁ নীৰৱে
দেৱালবোৰে নির্জনতাৰ প্রতিধ্বনি কৰিবৰ পৰত।

# মন চক্ষু ঃ তৃতীয় নয়ন

এদিন ৰাতিপুৱা মোৰ মনত এটা নতুন চকু হৈছিল মুকলি,
আৰু ইয়াৰ লগতে একুৰা বনজুই
মোৰ শৰীৰৰ প্ৰতিটো অংশতে উঠিছিল জ্বলি।
আৰু মই সন্ধান কৰোঁ সেই মৰুভূমিৰ মাজত
কিয়নো সেই সুগন্ধি উদ্যান।

মই দেখিছোঁ সুখীলোক আৰু দুখীজনকো
দেখিছোঁ মই পীড়িত, দেখিছোঁ মই সেই জক্‌মকীয়া লাহ-বিলাহৰ
গৈছে এৰি যিজনে ভৌতিক বস্তুবোৰ,
অসুস্থতাৰ পৰা মুক্ত হৈছে তেওঁৰে শৰীৰ।
ঝন্‌ঝনাইছিল এডাল অন্তৰস্থ তাঁৰ,
আৰু আনিছিল সুৰ এটা লগতে ইয়াৰ।
মই বুজাইছিলোঁ নিজকে নিজে
আছিল এইটো মোৰ জাগৰণ।

কাঁইটবোৰ মই লৈছিলোঁ তুলি
আৰু ফুলৰ পাতল দলিছা এখন দিছিলোঁ মেলি।
এই শুকান পৃথিৱীত মই
ৰোপণ কৰোঁ ৰামধেনু এখনি।
ঘামৰ সেই মণিবোৰৰ মাজেৰে শুকাই
মোৰ ললাট ফালি বাজ হয় মোৰ ভাগ্য।

# একত্ৰিত হওঁ আমি এক হিচাপে

সাগৰে গৰ্জন কৰে আৰু কৰে হাবিয়াস
ইয়াৰ বাহুপাশত আকাশখন পাবলৈ
এয়া মোৰ অনুপ্ৰেৰণা,
মোৰ শক্তি, মোৰ যৌৱনোদীপ্ত উৎসাহ
সময়ত সাগৰৰ ধ্বনিয়েই হয় চেহ্নাই
আৰু আন সময়ত, বিজয়ৰ কোব দামামাৰ
সাগৰৰ দূৰ প্ৰান্তত, য'ত ই মিলিত হয় ডাৱৰৰ সৈতে
ই মিলিত হয় য'ত মই কেতিয়াবা দেখা পাওঁ এখন পাহাৰ,
আৰু এটি চূড়াত এটি মঠ।

মানি ল'বলৈ কোনো উপকূল বা ভূমিৰ সীমা
সাগৰৰ নহয় নেকি স্বভাৱ?
যদি আমি দেখুৱাওঁ প্ৰয়োজনীয় সাহস,
আমাৰ হাতৰ তলুৱাত গোট খুৱাবলৈ
ফেনৰ ফুল ইয়াৰ
যি ফেনত প্ৰবাহিত হয় সুগন্ধি
ঢৌৰ গোপন বাগিচাৰ।
পানীৰ কাষত, নদীৰ কান্দোন
লুকুৱাই ৰাখে ফেনে,
ই সাগৰত মৰিবৰ বেলিকা।
নদী আৰু সাগৰ এক হৈ পৰে
দুনাই অভিন্ন হৈ, অৱশেষত থাকে একেলগে।

পৰ্বতে মোক শিকাইছিল থিয় দিবলৈ শিৰ উচ্চ কৰি।
আৰু সাগৰে শিকাইছিল মোক ঢৌ তুলিবলৈ।

কঠিন ৰূপত আপুনি খোদিত কৰিব পাৰে মোৰ শিলালিপি
যেতিয়া তৰল ৰূপত থাকোঁ
ৰঙৰ বুকুত ঠাই দিব পাৰে

আমি এহাতে ধৰি ৰাখোঁ আবেগৰ বটালী
আৰু আনখন হাতত মৰমৰ হাতুৰী

আমি গুৰি কৰোঁ দূৰ দিগন্তৰ
স্ফটিকৰ দেৱাল
আৰু ছিন্ন কৰোঁ আকাশৰ ছাল...
এই সৰ্বমানৰ সাগৰ আৰু
উপহাৰ সেউজীয়াৰে ভৰপূৰ প্ৰকৃতিৰ
আমাৰ ঘৰখনে লয় আকৃতি
বিস্তাৰিত হোৱাৰ লগে লগে আমাৰ মন
আমি একেলগে গঢ়ি তুলিম সমগ্ৰ পৃথিৱীখন।

# মন্ত্ৰ

শৰতৰ নিশা, বালিৰ প্ৰতিটো কণা
মৰুভূমিত উঠে জিলিকি,
এক সোণালী উজ্জ্বলতাত
প্ৰতিটো মুহূৰ্তৰ সৌন্দৰ্য
অনন্তকালৰ সৈতে সংযুক্ত কৰি,
অনুভূত হয় চিৰকাল।

জীৱন প্ৰবাহিত হয়, প্ৰতিটো মুহূৰ্ত আহে আৰু যায়
প্ৰবাহিত পানীৰ টোপাল
জলমলাই
বতাহৰ ঢৌ
ফুলৰ গোন্ধ
এটা জ্বলন্ত চাকি
যি হয় তাৰ ভাবনা;
কিন্তু এই জীৱন যি আহে আৰু যায়
নাই তাৰ কোনো স্থায়ী বাসস্থান,
তথাপি নোসোধে কোনেও— কিয় হয় এনেকুৱা।

জীৱনৰ বিয়লি বেলা জীৱনো থমকে হ'বলা
গুচি যোৱা ক্ষণবোৰেও পায় বিৰাম
আহিবলগীয়া ক্ষণবোৰত আশাৰ এগচি চাকিয়ে
তুলিব পাৰে পোহৰাই

অন্ধকাৰে কৰিব পাৰে এই পোহৰকো চুম্বন
আৰু বন্ধও কৰিব পাৰে প্ৰবাহিত জীৱনৰ ক্ষণ।

মই অন্ততঃ কিছুমুহূৰ্তৰ বাবে হ'লেও
সম্পূৰ্ণকৈ আছিলোঁ জীৱনটো জীয়াই
অলপ, কিন্তু যায় সেইবোৰে আঁটি।
মই প্ৰতিবাৰতে ৰৈছিলোঁ কিছু সময়,
জীৱনৰ আয়াসলব্ধ খোজত।

প্ৰতিটো উশাহে বহন কৰে সুগন্ধি
প্ৰতিযাৰ কথাতে থাকে প্ৰেমৰাগ
যি জীৱনৰ বিয়লিবেলাৰ স্মৃতি

মোৰ সংযত চকুপানীত এতিয়াও
প্ৰবাহিত হৈ আছে আশা
মোৰ সুপ্ত স্বপ্নত, আগলৈ সদায়ে এটা নতুন প্ৰভাত।

এই নিয়মীয়া, যান্ত্ৰিক জীৱনত
কেৱল থমকিয়ে, লাভ কৰোঁ মই
সৌন্দৰ্যৰ এটা নতুন মন্ত্ৰ।

# মা, মোক সাহস দিয়া

ভিক্ষা মাগোঁ মই তোমাৰ পৰা, জীৱনৰ দাতা
যেতিয়া মই বহি থাকোঁ, হাত সাবটি
হৃদয়ৰ ভিতৰুৱাল কোঠাত
আশীৰ্বাদ কৰা তুমি মোক
অশুভ শক্তিৰ পৰা পাবলৈ মুক্তি
তুমি দিয়া সাহস মোক, দিয়া মোক তুমি শক্তি
তুমি দিয়া গুণ মোক
যিয়ে মোক ধৰি ৰাখে সৎ পথত
মোৰ সংকল্প হৈছে সেইটো
পাবলৈ তোমাৰ চৰ্তহীন ভালপোৱা
আৰু তোমাৰ কৃপাৰে আশীৰ্বাদপ্ৰাপ্ত হোৱা।

মই ত্যাগ কৰিছোঁ সকলো আসক্তি
পৃথক হ'বলৈ, মোৰ পথত
নাই ফুলৰ মালা
নাইবা সুগন্ধিৰ ছাঁ
যদিও আছে ভিন্ন ৰং তোমাৰ উপাসনাত
নিলগ যদিও মই, তথাপিও নহওঁ এলাগী
তুমি প্ৰশান্তিৰ দিয়া উপহাৰ মোক
মোক কৰা একান্ত আন্তৰিক, আত্মিক শক্তিৰে আশীৰ্বাদ।

মোৰ আছে বীৰত্বৰ ৰীতি-নীতি
তোমাৰ মৰম হৈছে অন্তহীন
মোৰ জীৱন-সাগৰত, তোমাৰ হাতৰ সঁচা পৰশ
মোৰ জীৱন-সাগৰত, তোমাৰ অকলশৰীয়া জাহাজ

বেদনাত সাগৰেও কান্দিছে কিছুদিন,
তথাপিও অটল হৈ আছোঁ মই
মোক কৰা একান্ত আন্তৰিক, আত্মিক শক্তিৰে আশীৰ্বাদ।

কেতিয়াবা শুকাব পাৰে উদ্যান আৰু ফুলনি
দ্ৰাক্ষালতাৰ ফুলবোৰ যাব পাৰে লেৰেলি
মালীয়ে নিজেই থাকিব পাৰে তেওঁৰ কামৰ পৰা আঁতৰি
তাৰপিছত তুমি ক্ৰটিবোৰৰ ওপৰত ছটিয়াবা তোমাৰ চকুপানী
আৰু জপাই দিবা তোমাৰ চকুযুৰি।
এনেদৰে গোঁঠা ফুলৰ মালা
যিয়ে প্ৰকট কৰে কেৱল ঈশ্বৰৰ ৰূপ।
মোক কৰা একান্ত আন্তৰিক, আত্মিক শক্তিৰে আশীৰ্বাদ।

# সংযোগ

এখন খালী কেনভাচৰ স'তে একমাত্র সংযোগ মোৰ।
ইয়াৰ হৃদয়ৰ ভিতৰলৈ চোৱা, ইমান শুভ্র
য'ত বহুতো মুখ থাকে দৃষ্টিৰ বাহিৰত।

এটুকুৰা মেঘৰ মুখ এই উকা কেনভাচখন
আৰু যেতিয়া হয় মেঘৰ বৰষুণ, বাঢ়ে অতি সেউজীয়া ঘাঁহবোৰ,
ক'ৰবাত দেখা যায় গছ আৰু পৰ্বতৰ ৰূপত
আৰু চকুযোৰ যিয়ে অনুভৱ কৰে উশাহ বতাহৰ।
কোনো এজনো নহয় অচিনাকি অথবা পৰদেশী
নীৰৱতাতো আমি ভাল পাওঁ এই প্ৰকৃতি।

মৌমাখি, পখিলা আৰু অচিনাকি চৰাইবোৰে
পাতেৰে এটা কুটীৰ সাজে,
মই ধৰোঁ ওপৰলৈ তুলি এই তুলাপাতখন,
আৰু তাত শুঙি চাওঁ
প্ৰথম বৰষুণৰ গোন্ধ।

স্নিগ্ধ, ৰেশমী বগা কেনভাচখন।
তাইৰ অদৃশ্য ছাঁৰে নিজকে আৱৰি ৰাখোঁ মই।

# মিলিত হ'ব দিয়ক তেওঁলোকক মেলাত

মেলাত লক্ষ্যহীন লোকসকলৰ কল্পনা কৰাটো
কি মোৰ জীৱনৰ ধৰ্ম
মোৰ জীৱনৰ আহ্বান নে ইয়াৰ কৰ্মহ্ল
এখন প্ৰণয়ী মুখ লৈ মানুহ আহে মেলালৈ
বৈঠকবোৰ হয় ফলপ্ৰসূ
সময়ৰ গতিৰ এক সৌন্দৰ্যত।

মই এনে এজন মানুহ, বিশ্বাস যাৰ 'কৰিব পাৰোঁ'
মই নাজানো 'নোৱাৰোঁ' নহয় শব্দ।
যদি কোনো অট্টালিকা হাউলি পৰোঁ পৰোঁ হৈছে
দৌৰি যাওঁ ঢোকা দি ইয়াক ৰাখিবলৈ ধৰি।

মানুহৰ পাছত থাকে মাধৱ প্ৰভু
তেওঁৰ সন্মুখত থাকে প্ৰভু ৰাঘৱ।
মোৰ আছে কৃষ্ণৰ বাঁহী
আৰু শিৱৰ ধনু
ধন্য মই, হোৱাৰ বাবে মানুহ।

পৃথিৱীত মই দেখোঁ সৰগ
মোৰ একমাত্ৰ দাবী ঐশ্বৰ্যৰ ওপৰত।
উশৃঙ্খল লোকসকলক যাব দিয়ক আগবাঢ়ি
মেলাত লগপোৱা ভাইসকলৰ ৰূপত।

# ৰহস্য

এন্ধাৰৰ দ্বাৰা আবৃত গছবোৰ
থিয় হৈ থাকে ক'লা ওৰণি লৈ;
এইবোৰৰ ওপৰত চকু স্থিৰ কৰিবলৈ নিবিচাৰোঁ মই।

মই বিচাৰোঁ প্ৰখৰ ৰ'দত থিয় দি থাকি
সম্পূৰ্ণ আবেলিৰ ৰ'দ ধৰিবলৈ
চৰাইৰ সৈতে সুগন্ধি ফুলেৰে ফুলি
মোৰ চকু পোহৰাই তোলা
গছবোৰ চাবলৈ।

ৰাতিপুৱাৰ গছবোৰৰ শুদ্ধতা
দুপৰীয়াৰ গছবোৰৰ অনুৰাগ
সন্ধিয়াৰ গছবোৰৰ জ্ঞান—
প্ৰতিডাল সিৰাতে বিচাৰোঁ মই
এইবোৰ সংৰক্ষণ কৰিবলৈ।
গছ; মোৰ আত্মাৰ আলধৰা
ছাঁত শোৱা লিগিৰা
দুপৰীয়াৰ এক উষ্ম উশাহ
মোৰ ছাঁটোৰে নিজকে মেৰিয়াই ইয়াত
বৰষুণৰ চকুলোৰ টোপাল ধৰি ৰাখিবলৈ
আগবঢ়াই বতাহৰ প্ৰস্তাৱ।
গছ; মোৰ অস্তিত্বৰ দাপোণ, মোৰ চৰিত্ৰ
মোৰ ৰহস্য।

# ৰমেশ পাৰেখ

এই চন্দ্ৰ উৎসৱলৈ, সকলোৱে আহিছে নিজকে লৈ,
কিছুমানে আহিছে সপোনবোৰৰ সৈতে,
কিছুমানে ৰাতিৰ অন্ধকাৰৰ শূন্যতাৰ সৈতে।
ভৰ আবেলিত, বাঢ়ি গৈছে ৰাতি, আৰু ক'লাৰে চকু পৰিছে ভৰি,
ৰমেশৰ অবিহনে মোৰ এই জীৱন অনৰ্থক।
সময়, এসময়ত আছিল এজন মহৎ বন্ধু,
এতিয়া এজন ঘোৰ শত্ৰু,
আৰু নীৰৱে লুকুৱাইছিল অশ্ৰু।

ৰমেশৰ হাতে লিখা কবিতাৰ পাণ্ডুলিপিৰ
মই নাম দিওঁ নক্ষত্ৰলোকৰ নামেৰে,
আমৰেলিৰ গলিবোৰৰ সোঁৱৰণত, সেই কবিতাৰ গাঁওখনলৈ।
আছিল সেইবোৰ দিন, যেতিয়া গাত লাগিছিল কলংকৰ চেকা।

চশমাৰ সৈতে, যদিও খালী চকু, চাব পাৰোঁ মই ৰমেশৰ দৰে,
নিজে নিজে উঠি আহে শব্দবোৰ, একোটা কবিতা হৈ পৰে সেইবোৰ।
তেওঁৰ সাদৃশ্য, আছে এতিয়াও ফ্ৰেমত,
লৰচৰ নকৰাকৈ তেওঁৰ স্থিৰ দৃষ্টি মোৰ ওপৰত।

# লক্ষ্যৰ ফালে

লক্ষ্যৰ ওপৰত আছিল চকু স্থিৰ হৈ
নিজকে পাহৰি গৈ
দৌৰি আৰু জঁপিয়াই
খাইছিল জিকাৰ আৰু উঠিছিল কঁপি
তেজৰ ছিটিকনি পৰা ৰাস্তাত
খোজকাঢ়ি
আৰু গাঢ় ৰঙা পদচিহ্ন দেখি
মোৰ পূৰ্বসুৰীসকলৰ
ৰক্তপাতৰ পৰা
অশ্ৰুসিক্ত চকুত বিয়পিছিল হাঁহি
আৰু প্ৰতিফলিত হৈছিল সূৰ্যৰ ৰশ্মি।

প্ৰখৰ সূৰ্যৰ ৰশ্মিয়ে
মোৰ হাঁহিৰ লালিমা
কুঁৰলীত কৰিছিল ম্লান
আৰু তেতিয়াই মোৰ ‘মই’ৰ চেতনা
হ’ব লাগিছিল নাইকিয়া
ওচৰত যেন লাগিছিল লক্ষ্য
মোৰ চলন হঠাতে হৈছিল দ্ৰুত।

# বন্দে মাতৰম

বন্দে মাতৰম...
নহয় কেৱল এটা গান।
এয়া আমাৰ সন্মান,
আমাৰ সম্পদ আৰু শোভা,
স্বাধীনতাৰ মহান ত্যাগৰ ই উপহাৰ,
ইয়ে দেশৰ বন্দনা আমাৰ,
মহামন্ত্ৰ ই গণতন্ত্ৰৰ স্পন্দিত হৃদয়ৰ
ইয়ে প্ৰগতিৰ নিৰন্তৰ স্পন্দন
হৈ আছে অপৰাজেয় পৰিচয় আমাৰ...

১৮৫৭ৰ ফ্লাড্‌লাইটৰ এই স্মৃতি,
সত্য আৰু ইয়াৰ কৰ্মৰ বাবে
তেজত প্ৰেৰণা
এক চিৰন্তন শিখাৰ।

বন্দে মাতৰম...
নহয় কেৱল এটা শব্দ,
ই হৈছে আমাৰ মহামন্ত্ৰ,
মৃদু কঁপনি স্বাধীনতাৰ শক্তিৰ
ই হৈছে ৰাজকীয় পদযাত্ৰা বিকাশৰ,

আমাৰ দেশৰ জীৱন-পথৰ শপত
তেওঁৰ জনগণৰ ৰাতিপুৱাৰ উশাহ
আলোকিত চেতনাৰ বাবে তেওঁলোকৰ প্ৰাৰ্থনা
বন্দে মাতৰম...

# প্ৰেম বৰ আচৰিত

যেতিয়া উদয় হয় চন্দ্ৰ
জঁপিয়াই নাযায় নেকি সাগৰে?
যেতিয়া উদয় হয় সূৰ্য
নাহাঁহে নেকি সূৰ্যমুখী ফুলে?
যাত্ৰাৰ শেষত মহতী নদীখনে
কৰে নেকি অস্বীকাৰ মিলিত হ'বলৈ সাগৰৰ সৈতে?
যেতিয়া ফুল ফুলে
গুণগুণোৱা মৌমাখিয়ে থাকে নেকি কেতিয়াবা নীৰৱে?
যেতিয়া ঘণ্টা বাজে
দুৱাৰ বন্ধ কৰি ৰাখিব পাৰে নেকি মন্দিৰে?
চিক্‌মিকাই উজলি নুঠে নেকি মন্দিৰটো?
যেতিয়া জ্বলোৱা হয় চোতালৰ চাকিবোৰ
নুঠে নেকি মন্দিৰটো চিক্‌মিকাই উজলি?
এই বিস্ময়কৰ, প্ৰকৃত প্ৰেমৰ অনুভৱ কৰিবলৈ
ইমান কঠিন আৰু আচৰিত— কিয় এনে হয়?

# আশ্চৰ্য্যৰ দোকমোকালি

পৰাজয়ৰ অন্ধকাৰ নিশা ম্লান হৈ
উদয় হৈছে জয়ৰ ৰাতিপুৱা
উদযাপন কৰোঁ আমি ৰাতিপুৱা আজি
আৰু এটা উজ্জ্বল কাইলৈ
অন্ধকাৰৰ বিশাল দেৱাল পেলাই ভাঙি।
আৰু উদয় হয় এক সাহসী নতুন দোকমোকালি।

সকলোৱে লওঁ আমি এতিয়া শপত
আমাৰ সাহসী আৰু স্থিৰ ৰথত
বগুৱাবাই উঠে প্ৰত্যেকে ধৰি লৈ নিজক
প্ৰত্যাখ্যান কৰি নিজৰ স্বাৰ্থপৰতা
আনন্দিত হয় একেলগে ফুল আৰু সুবাসত।
আহি পাইছে এটা সাহসী দোকমোকালি।

দুখ অথবা বেজাৰৰ এতিয়া
নাই কোনো কাহিনী
নাই কোনো শোক,
আৰু একো নাই যাতনা দিবলৈ
ধুমুহা গৈছে বহু দূৰলৈ আঁতৰি
আৰু আকাশৰ বিশাল বিস্তাৰৰ মাজত
কাঁইটীয়া সংকটবোৰ চিৰদিনৰ বাবে হৈছে নিৰ্বাসিত
চমকপ্ৰদ আশাবোৰ ওপজিছে আৰু মুক্ত হৈছে।
সাহসী দোকমোকালি এটা; আনন্দৰ লগন।
সপোনৰ গোন্ধৰ সৈতে প্ৰতিটো কোষত

কুণ্ডলীত উলাহ মঙলৰ গৃহত
‘ৰাম’ৰ আমি বিশ্বাস ৰাখোঁ হৃদয়ত আমাৰ
নাই কোনো উপলক্ষ জলকা লগাৰ।
এটা সাহসী দোকমোকালি, লগন মুকুতিৰ।

# বৈ যাবলৈ দিয়া যাতনা

চকুপানীবোৰ যাবলৈ দিয়া পিছলি
সৰে যদি ফুল এটা, থাকিবলৈ দিয়া ইয়াক পৰি,
ইয়াক দিয়া মৰহিবলৈ, ধূলিত মিলি যাবলৈ দিয়া।
বৈ যাওক মনৰ বেদনা।

সপোনবোৰ ডুব গৈছে
কোনো কাৰণ নোহোৱাকৈ, গৈছে পানীত বুৰি।
চকুপানীৰ সৈতে বহি থাকি চকুৰ খিৰিকীত
দিয়া সিহঁতক
চৰাইৰ চকুৰ দৰে পৰ্যবেক্ষণ কৰিবলৈ
বৈ যাওক মনৰ বেদনা, পিছলি যাওক চকুপানী।

ই উপচি পৰাৰ মুহূৰ্তত,
এক অজান আবেগত
মৃদুভাৱে মিচিকিয়াই আশাই।
মোৰ চকুৰ হ্ৰদত পৰিভ্ৰমণ কৰে ৰাজহাঁহে
বৈ যাওক মনৰ বেদনা, পিছলি যাওক চকুপানী।

সুখৰ আৰু দুখৰ সপোনবোৰ,
দূৰ দেশৰ মৰীচিকা,
মই নিজকে ঢাকি ৰাখোঁ পাতৰ ছাঁৰে
বতৰ গোমা কৰা ডাৱৰে
সিহঁতৰ হৃদয়ৰ সমলেৰে
তোমালৈ বৰষুণ ছটিওৱাৰ দৰে।
বৈ যাওক মনৰ বেদনা, পিছলি যাওক চকুপানী।

# কথা

মোৰ কথাবোৰ শিলৰ দৰে বলিষ্ঠ
মোৰ প্ৰবাহিত শব্দবোৰ, সোঁতত শিল।
শিল আৰু পানী, যেতিয়া সিহঁতে কৰে একেলগ
তুমি আৰু মই হওঁ ভালদৰে সংযোগ,
এতিয়ালৈকে
সংযোগত পৃথক আমি
অনন্তকালৰ তীৰৰ ঘাটত একলগ হোৱালৈ
আমাৰ বাবে আছে অপেক্ষা কৰি।
গল্পত মই ৰজা আৰু তুমি, সাধুকথাত ৰাণী।

এখন নদী আৰু দুটি পাৰ
এফাল তোমাৰ, আনটো মোৰ।
জিৰণি নোলোৱাকৈ ঘূৰি ফুৰে সময়ে
যাযাবৰৰ দৰে।
তাই জানে আমাৰ দুখৰ কাহিনী,
তথাপিও হৈ আছে অচিনাকি, অজান।

# কালজয়ী, বতৰ

প্ৰতিদিনৰ সমাবেশ, প্ৰতিঘণ্টাৰ ভিৰত
বৃহৎ সংখ্যাত একত্ৰিত হয় সিহঁত,
সেই কেমেৰামেনবোৰে
পোহৰৰ মুষলধাৰ চমকনিৰে
জলক লগাই মোৰ চকুত
এই মাইক্ৰ'ফোনেৰে মোৰ কণ্ঠস্বৰ বঢ়াই
হওঁ মই বিভ্ৰান্ত সৃষ্টিকৰ্তাৰ অনুগ্ৰহত।
বিভ্ৰান্তিৰ শেষ নাই মোৰ
শব্দৰ এই সোঁত আগেয়ে আহিছিল কিহৰ পৰা ওলায়?

কেতিয়াবা অন্যায়ৰ সন্মুখত
মোৰ কণ্ঠস্বৰ ক্ৰমান্বয়ে আহে বাঢ়ি
আৰু আন সময়ত শব্দৰ এখন নৈ
বৈ যায় শান্ত হৈ,
কেতিয়াবা শব্দবোৰ প্ৰবাহিত হয় বসন্তৰ ফুললৈ
নিঃসহায় ভাবত সিহঁতে নিজে পৰিধান কৰিবলৈ
শব্দৰ এদল পথিক যায় আগবাঢ়ি
আৰু সিহঁতৰ যাত্ৰা তধা লাগি চাই আছোঁ মই,
এতিয়ালৈ আচৰিত হৈ।

ইমানবোৰ শব্দৰ মাজত
সংৰক্ষণ কৰোঁ নিৰ্জনতা নিজৰ বাবে মই
আৰু নীৰৱতাৰ সেই শান্তিপূৰ্ণ গৰ্ভত প্ৰৱেশ কৰি
উপভোগ কৰোঁ প্ৰাচীন ঋতুৰ পয়োভৰ, অকলশৰীয়াকৈ।

# সপোনৰ বীজ

মই কেতিয়াও ভয় নকৰোঁ শিল এটাক
মাতিবলৈ ইয়াৰ নাম কাঢ়ি,
মই কৰোঁ পুনৰাবৃত্তি পানীৰ শব্দক পানী বুলি,
মই এজন মানুহ নগ্ন বাস্তৱৰ
মই দেখিছোঁ আকাশখন
ৰামধেনুৰ দ্বাৰা হৈছে আকৰ্ষিত।
কিন্তু সজোৱা হয় মোৰ ঘৰ শিলৰ ওপৰত
কেতিয়াও নহয় ৰামধেনুৰ ওপৰত।

ৰামধেনুৰ ৰঙেৰে
সৃষ্টি হয় সপোনবোৰ মোৰ
ৰোমাণ্টিক নহয় এই সপোনবোৰ
সিহঁতে গোটাই লয় কৃচ্ছ্ৰসাধনা,
গোটেই জীৱনৰ জোখাৰে।

আপোনাৰ থাকিব পাৰে,
অথবা আপোনাৰ নাথাকিব পাৰে সপোন
কিন্তু সপোনৰ এই বীজবোৰ
যিবোৰ কৰোঁ মই মোৰ মাটিত ৰোপণ
মই তিতোঁ ঘামেৰে, আৰু অপেক্ষা কৰোঁ
গজালিৰ বাবে, এজোপা বটগছ হ'বলে';
তাৰপাছত কোনো দৈত্যৰ বাহুৰ দৰে

ডালবোৰ বিয়পি পৰে
চৰাইবোৰে বাহ সাজে

আৰু আকাশৰ শেষ সীমালৈ যাত্ৰা কৰে।
নদীৰ দৰে সিহঁতৰ কণ্ঠৰ পৰা
ঈশ্বৰৰ গান হয় প্ৰবাহিত,
আৰু সিহঁতৰ চিৰন্তন শব্দবোৰ হয় তৰংগায়িত।

# ধ্যানমগ্ন হোৱা একেলগে

ৰাতিৰ গৰ্ভৰ পৰা জন্ম হোৱা দোকমোকালি, মই কওঁ;
আহা, মোৰ ওচৰত বহা
তোমাৰ বাবে মোৰ মৰম পৰে উপচি
তোমাৰ জন্মই মোৰ মুখলৈ লৈ আহে হাঁহি
মই নাজানো
আমাৰ মাজৰ, পিতৃ কোন, সন্তান কোন?
কিন্তু এইটো মই জানো
তীক্ষ্ণ কাঁইটৰ কাঁইটীয়া খোচন একাষৰীয়া কৰি
একেলগে আমি ফুল হিচাপে বিকশিত কৰোঁ সুগন্ধি।
দিনৰ ডালত ফুল ফুলে
চৰাইৰ কান্দোনতো সুগন্ধি বিয়পে।
সিহঁতৰ কান্দোন বিয়পি পৰে মাথোঁ ফুলৰ গোন্ধৰ দৰে
গোন্ধ আৰু ধ্বনি, গতিত, হৈ থাকে আকাৰবিহীন
সিহঁতৰ সমন্বয়, সিহঁতৰ অৱস্থা আৰু সিহঁতৰ গতি
হৈ পৰে ধ্যানৰ কেন্দ্ৰবিন্দু মোৰ।
তুমি আৰু মই আহোঁ একেলগে
ধ্যানৰ এই বৰদানৰ সৈতে
আমাৰ হৃদয়ক সন্তুষ্টিৰে ভৰাই
চেষ্টা কৰোঁ থাকিবলৈ জীয়াই।

# সাগৰৰ নাৱিক

বিশাল হৃদয় এখনৰ অধিকাৰী হ'বলৈ
আত্মাৰে ভৰা, জীৱনেৰে ভৰা
এই নাৱৰ ব'ঠাবোৰ
আমাৰ জীৱনৰ হয় গুৰি-ব'ঠা।
আকাশত তৰাবোৰ
আৰু আমাৰ আলোকস্তম্ভ জোনটো
আকাশত আগেয়ে আছিল শিক্ষক
আমাৰ পথপ্ৰদৰ্শক।

ফাঁট মেলিছে এই মহাসাগৰত
বিচ্ছিন্ন হৈছে আমাৰ দেশবোৰ
কি বুলি জনা যায়
আকাশত ক্ৰান্তদৰ্শীসকলক,
নাজানে নেকি মহাসাগৰে
কোনো দেৱাল
কি হিন্দুস্থান? কি পাকিস্তান?
এটা ভগ্ন সীমান্ত অতিক্ৰম কৰাটো
হৈছে প্ৰতিটো দিনৰ শাস্তি।

কাৰোবাক পাৰ হ'বলৈ দিয়ক, বা পাৰ হ'বলৈ নিদিয়ক
আহিব পাৰে উদ্ধাৰকাৰীজন, অথবা নাহিবও পাৰে
কিন্তু এই হৃদয়ত আছে স্বদেশৰ হিত চেষ্টা
জুইয়ে মহাসাগৰ জ্বলোৱাৰ নিচিনা।

# সমাধান

এনেকুৱা দিন আছে যেতিয়া মই আহোঁ ওলাই
এটা জুই ওলোৱা সূৰ্যৰ ওচৰলৈ
এটা প্ৰচণ্ড গৰমদিন
আৰু দগ্ধ হওঁ মই
এক শীতল পাত্ৰ অনুসন্ধান কৰি
ৰশ্মিৰ বাণ আনিবলৈ নমাই
আৰু ছায়া আৰু ছাঁৰ
এই চক্ৰবেহু ভেদ কৰি
ভেদ-বুদ্ধিৰ যাত্ৰীত
মই পাওঁ দৃঢ় সমিধান।

সমাধানৰ পোহৰ
সমাধানৰ শক্তি
সমাধানৰ গীত
সমাধানৰ সংগী
সমাধানৰ গধূলি
ধূলিয়ৰি এজাক গৰুৰ নিচিনা
আজি তাত জিলিকিছে
এজন বুদ্ধিজীৱীৰ আভা
ধনী মানুহৰ ধনসম্পত্তিলৈ
এই শিৰ নহয় নত,
যিহেতু নাই মোৰ তেজত অসহায়তা।

# স্মৰণ

অস্পষ্ট পোহৰৰ দৰে,
অন্ধকাৰৰ পৰা পান কৰিবলৈ যায় এই ধূসৰ স্মৃতি।
বৰ ভয়ানক অন্ধকাৰ
অন্ধকাৰে ৰাখে সকলোকে আৱৰি।

গছৰ পৰা পাত এখিলা সৰিলে
স্মৃতিবোৰ সৰা যেন লাগে...
স্মৃতিৰ টুটনি... মানেনো কি?
আৰু সেই খালী ঠাই পূৰাবা... কেনেকৈ?
স্মৃতিৰ নাদত থ'ব পাৰিবা কিমান দ'মাই?

জঁপিয়াই থাকে স্মৰণত মহাসাগৰ
স্মৰণ এটা আবেলি তপত গ্ৰীষ্মৰ
নখ নাই যদিও হাতোৰাৰে
নুমুৱাই স্মৰণৰ চাকি
ইয়াৰ পাখি কাটি
দিব নোৱাৰি স্মৰণক এফালে ঠেলি
ইমানকৈ ইয়াৰ দৃষ্টি ডোখৰ ডোখৰ কৰি।
ইয়াৰ জিভা পেলাওক কাটি
যদিও এই ওঁঠবোৰ চিলাই কৰিব নোৱাৰি

কোনো অৱস্থাত স্মৰণ উপস্থিত হয় অস্থিৰ হৈ
অন্ধকাৰত মেৰ খাই
স্মৰণৰ সৈতে বাধাপ্ৰাপ্ত হয় মোৰ কণ্ঠ
পৃথককৈ হয় মোৰ জীৱনটো বিদ্ধ।

স্মৰণৰ আছে ৰং আৰু ৰূপ
ই হৈছে দুয়োটাই ছাঁ আৰু ৰ'দ।
স্মৰণৰ নাই কোনো পদূলি
স্মৰণৰ নাই কোনো শুচি।
স্মৰণ কৰিবলৈ সূৰ্যোদয় কি?
মনত পেলাবলৈ সূৰ্যাস্ত আছে নেকি?

স্মৰণ কৰিবলৈ মৃত্যু কি?
মনত পেলাবলৈ আমি কিয় আত্মসমৰ্পণ কৰা উচিত?
ইয়াৰ নাই কোনো কাপোৰৰ আৱৰণ
মূৰৰ ওপৰত নাই ইয়াৰ কোনো চাল
স্মৰণ হৈছে এটা প্ৰবাহিত সোঁত
ভাঁহি আছে জীৱন এই সোঁতৰ ওপৰত।

# হিন্দুৰ গীত

অনুসৰণ কৰা এই গীত, হিন্দু হ'বলৈ
এই একক মন্ত্ৰ থাকি আওৰাই
সিন্ধু সিন্ধু গান এটা
এই মন্ত্ৰ মুকুতাৰ নিচিনা
অন্ধকাৰত পোহৰৰ বলয় এটা
আমি দিম পোহৰ বিয়পাই
এই পৃথিৱীৰ দূৰদূৰণিলৈ
উচ্চ আৰু নীচৰ কোনো বাধা নাই
মিচিকিয়া হাঁহিৰ সৈতে
নিজৰ শৰীৰ মিলাই
হৃদয়ত মন্দিৰ সাজি
আমাৰ লগৰীয়াসকললৈ গাওঁ পুৰুষাৰ্থৰ গান।
দিয়া আমাক পোহৰ বিয়পাই।

সেই কোনো এজনো নহয় শত্ৰু;
আমি সকলো বন্ধু
এইটোৱে ধৰ্ম আমাৰ।
পৰিহাৰ কৰি মতবিৰোধ
সৃষ্টি কৰা নতুন সংলাপ।
পোহৰ বিলাওঁগৈ ব'লা।
খাদ্য আৰু কাপোৰ
গুণ আৰু অনুগ্ৰহ
সহজে হ'ব ইয়াত উপলব্ধ
পৃথিৱী হ'ব অতি সেউজীয়া
আৰু আকাশ মনোৰম তৰাৰে ভৰা

একতা, সমতা আৰু ভালপোৱা
সংৰক্ষণ কৰিম আমি প্ৰতিপালনৰ দ্বাৰা
ইয়াত পোহৰ বিলাওঁগৈ, ব'লা।

# একাদশ দিশ

মনৰ নিৰ্ভীক
সুৰেৰে সম্পন্ন এটি গান
আত্মাৰ আদৰ-যতনত গঢ় লোৱা সুস্থ ভালপোৱা
এক মায়াবী হাঁহি
ৰঙত উত্ৰাৱল বতাহ
যেতিয়া বাধাহীনভাৱে বৈ যায় পানী
আকাশে লয় সুগন্ধি উশাহ
প্ৰতিটো মুহূৰ্ত পবিত্ৰ, অগনিৰ আশিসধন্য।
পৃথিৱীয়ে আনিছে কঢ়িয়াই
প্ৰেম, সুগন্ধি
আৰু ঈশ্বৰ মোৰ মিত্ৰ
থাকোঁ মই, প্ৰতিদিন
নহয় ভৱিষ্যত, নহয় অতীত
চিহ্নিত কৰোঁ কেৱল বৰ্তমান মুহূৰ্তৰে
নাই কোনো অভ্যাস, নাই কোনো উপায় নিশ্চিতভাৱে
শান্ত নীৰৱতাৰ হাতত সোঁতৰ লেগাম

এই মুহূৰ্তত, গোটেই দহ দিশৰ বাহিৰত
এইটোৱে হৈছে একাদশ দিশত, সংগীতৰ ধ্বনি।



'অভিযাত্ৰা'ৰ অনুবাদক গীতুমণি তালুকদাৰ এগৰাকী সফল অনুবাদক হোৱাৰ উপৰি তেখেত এগৰাকী কবি আৰু শিশু সাহিত্যিক। তেখেতৰ কবিতা আৰু শিশু-সাহিত্যকে ধৰি অন্যান্য লিখনিসমূহ অসমৰ আগশাৰীৰ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাই আহিছে। তেখেতৰ দুখন শিশু গ্ৰন্থও প্ৰকাশ পাইছে— "জোনৰ বুকুত শহা" আৰু "শিয়ালী এ নাহিবি ৰাতি"। ইয়াৰে "শিয়ালী এ নাহিবি ৰাতি" শিশু গ্ৰন্থখন তেখেতৰ দ্বাৰা সম্পাদিত। পেছাত শিক্ষয়িত্ৰী গীতুমণি তালুকদাৰৰ ঘৰ বজালী জিলাৰ পাঠশালাত।

ৰণাংগন প্ৰকাশন
নগাঁও ঃ অসম

ISBN
978 93 93505 66 8